
किरण

# শিখা

হাতেলিখা আলোচনী
অসমীয়া বিভাগ
শিৱসাগৰ ছোৱালী কলেজ
২০১৫ বৰ্ষ

# উৎসৰ্গা

জ্ঞান আলোকেৰে আলোকিত কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ আৰু সাহিত্যিক হৃদয়ত স্থান দি আঁকোৱালি লববিচৰা প্ৰতিগৰাকী লোকলৈকে অসমীয়া বিভাগৰ হাতে লিখা আলোচনীৰ দ্বিতীয় সংখ্যাটি অতি আদৰেৰে আৰু শ্ৰদ্ধাসহ বিনম্ৰ ভাৱে উৎসৰ্গা কৰা হ'ল ।

ধন্যবাদ ।

— সম্পাদনা সমিতি

# শুভেচ্ছাবাণী

অনুশীলন ভিত্তিতে সকলো কামেই অভিজ্ঞতাৰ হয়। ছাত্ৰ-ছাত্ৰীসকলৰ যি কোনো বিষয়ৰ অনুশীলনে পাঠৰ প্ৰতিভাৰ লগতে বিষয়ত পাৰদৰ্শী হোৱাত সহায় কৰে। অনুশীলনত তত্ত্ব আৰু প্ৰয়োগ থাকিব লাগে।

বিজ্ঞানীয় বিভাগৰ ছাত্ৰী সকলে বিজ্ঞানীয় ভাবে প্ৰথম অনুশীলন আলোচনী-'শিখা'- প্ৰকাশ কৰিবলৈ ও লোৱা সাহস আদৰ্শ দিছে। আলোচনীখন প্ৰকাশ কৰাৰ প্ৰচেষ্টাৰ যোগেদি তেওঁলোকে সাংগঠনিক আৰু প্ৰতিভাশীল মনৰ পৰিচয় দিছে — ই নিশ্চয়কৈ প্ৰশংসনীয়। এনে সৎ প্ৰচেষ্টাৰ যোগেদি তেওঁলোক সফল হওক, এয়েই কামনা — 'শিখাৰ' সৈতে জড়িত সকলোলৈকে আন্তৰিক শুভেচ্ছা জনাইছোঁ।

(হেমন্ত কুমাৰ বৰা)

# সম্পাদকীয় মেজৰ পৰা



সৰ্বপ্ৰথমে সম্পাদকীয় তৰফৰ পৰা শিৱসাগৰ গোৰালী কলেজৰ অধ্যক্ষ মহোদয় তথা প্ৰবক্তাৰ শিক্ষাগুৰু সকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। এই হাতে লিখা আলোচনীখনৰ আঁৰত আমাৰ অসমীয়া বিভাগৰ ছাৰ-বাইদেউ আৰু প্ৰতিগৰাকী ছাত্ৰীৰ অহৰহ প্ৰচেষ্টা নিহিত হৈ আছে। গতিকে সকলোলৈকে আমাৰ ফালৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। আপোনালোকৰ সহায়-সহযোগিতাৰ অবিহনে আলোচনীখনে নতুন প্ৰাণ নাপালেহেঁতেন।

সাহিত্য আৰু সমাজ একেটা মুদ্ৰাৰ দুটা পিঠি। সাহিত্যত সমাজৰ ছবি প্ৰতিফলিত হয়। সেই ফালৰ পৰা সাহিত্য হ'ব পাৰে সমাজৰ প্ৰগতিৰ দিশনিৰ্ণায়ক যন্ত্ৰ। বৰ্তমান সময়ত যদিও ইণ্টাৰনেট, ফেচবুকৰ গুৰুত্ব বাঢ়িছে, তথাপি কিতাপ পঢ়াৰ গুৰুত্বও কমি যোৱা নাই। বৰ্তমান প্ৰতিযোগীতাৰ যুগত মানুহ যদিও ব্যস্ত হৈ পৰিছে, তথাপি নিজৰ সন্তানক অসমীয়া বা ইংৰাজী যিয়েই নহওক এখন আলোচনী হাতত তুলি দিবলৈ আহৰি নাই। কাৰণ, বৰ্তমান সময়ত শিক্ষিত মানুহৰ সংখ্যা বৃদ্ধি পাইছে। সকলোৱে বুজি উঠিছে জীৱনত সাহিত্যৰ প্ৰয়োজনীয়তা কিমান।

জীৱনত প্ৰত্যেকটো বস্তুৰে প্ৰয়োজনীয়তা আমি দেখিবলৈ পাওঁ। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যুগত ইণ্টাৰনেটৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। ঠিক সেইদৰে ধ্যান,

যোগ-ব্যায়ামৰ প্ৰয়োজনীয়তাও আমুৱে উপলব্ধি কৰিবৰ হ'ল। শাৰীৰিক, মানসিক, বৌদ্ধিক, নৈতিক আদি সকলো দিশৰ বিকাশৰ বাবে এইবোৰৰ অশেষ প্ৰয়োজনীয়তা আছে। কিন্তু বৰ্তমান সময়ত দেখা যায় প্ৰত্যেকেই ব্যস্ত ব্যস্ত হৈ পৰিছে। সকলোৰে সময়ৰ অভাৱ। আচৰিতক ভাৱৰ কথা, সকলোৱে জানে যে ব্যায়াম, যোগ আদিৰ অনুশীলন জীৱন তথা স্বাস্থ্যৰ কাৰণে বহুত উপকাৰী। আনকি নানাবিধ কেন্সাৰ আদি মহামাৰী ৰোগৰ প্ৰতিৰোধ ক্ষমতাও ইয়াৰ জৰিয়তে লাভ কৰিব পাৰি। কিন্তু খুউব কম সংখ্যক মানুহেহে প্ৰাতে-কালে ইয়াৰ অনুশীলন কৰে। কেওঁবোকে উপলব্ধিও কৰে ইয়াৰ প্ৰয়োজনীয়তাৰ কথা। কিন্তু ব্যস্ততাময় জীৱনত আহৰি নাপায়। সাধাৰণ চুটিৰ ভালে সূৰ্য নমস্কাৰ বা অন্যান্য যিবোৰ যোগাসন আছে সেইবোৰৰ কাৰণে বেছি সময়ো নালাগে। সূৰ্য নমস্কাৰ এটি সহজ আসন। এই আসন সমূহৰ লগত নৈতিক-আধ্যাত্মিক কথাও জড়িত হৈ আছে। আমি যিমানেই শিক্ষিত নহও কিয় যদি নৈতিক-আধ্যাত্মিকতাৰ শিক্ষা নাপাওঁ, তেতিয়া শিক্ষিত হোৱাৰ জানো কিবা অৰ্থ আছে। নাই অমৃত কৰলে পালে যদি আমি আমাৰ ভৱিষ্যতৰ কথা চিন্তা কৰোঁ তেতিয়াহ'লে আমি আমাৰ মানসিকতা, চিন্তাধাৰা, জীৱনশৈলী সলনি কৰিবৰ সময় হ'ল। আমাৰ সভ্যতা-সংস্কৃতিক জীয়াই ৰাখিবৰ বাবে আমি যদি প্ৰয়াস নকৰো কোনে কৰিব। আমাৰ আদৰ্শ

সহায় হ'ব লাগিব। স্বামী বিবেকানন্দৰ দৰে লোক আমাৰ আদৰ্শ হ'ব লাগিব। আমাৰ হৃদয় সৎ হ'ব লাগিব। মন সুস্থিৰ আৰু সমতাৰ ছন্দেৰে মোৰাৰ লগতে প্ৰাতৃত্ববোধৰ এনাজৰী মজবুত কৰিব লাগিব। তেতিয়াহে আমি আমাৰ ভাষা-জাতি-সংস্কৃতি জীয়াই ৰাখিব পাৰিম, তাৰ বাবে আমি প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগিব আৰু থাকিব লাগিব আমাৰ যোগাত্মক চিন্তাধাৰা।

ষাণ্মাসিক পদ্ধতিৰ ব্যস্ততাময় সময়তো এই হাতে লিখা আলোচনীখন উলিওৱাত সম্পূৰ্ণ আন্তৰিকভাৱে সহায়-সহযোগ আগবঢ়োৱা প্ৰতিযোগী সদস্যালৈ সম্পাদকৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন আৰু ধন্যবাদ জ্ঞাপন কৰিলো। পুনৰবাৰ শ্ৰদ্ধাৰ দ্বাৰ-বাইদেউ সকললৈ সন্মান জনালো।

ওঁ জয়তু শিৱসাগৰ গোৱালী কলেজ।
ওঁ জয়তু অসমীয়া বিভাগ।

— সম্পাদক

# শিপাৰ আঁৰত

উপদেষ্টা – অসমীয়া বিভাগৰ ছাৰ-বাইদেউ সকল।

সম্পাদনা – ইন্দুমণি পাটো।

বেটুপাত – হিমাদ্ৰী বৰা।

অলংকৰণ – হিমাদ্ৰী বৰা
ৰাফিয়া বেগম

অনুলিখন – শিল্পী ৰাজগোঁহাই।
দেৱশ্ৰী দেৱী।
ইন্দুমণি পাটো।
স্মৃতি চাংমাই।

কৃতজ্ঞতা – যিসকলৰ মৰম আশীষত
শিপাই প্ৰাণ পাই উঠিল
তেওঁলোক সকলোলৈকে...

## সূচীপত্ৰ :—


এখাঁদোন প্ৰবন্ধ — পৃষ্ঠা নং

সুশিক্ষা আৰু মহৎ শিক্ষক - ১

পুৰণি বিহু আৰু বৰ্তমানৰ বিহু .... - ৫

জীৱন, সমাজ আৰু আশাবাদ - ৯

নাৰীসমাজ জাগ্ৰত হʼবৰ হʼল - ১১

আধুনিক সমাজৰ অন্যতম সমস্যা - 'সুৰ উচ্ছৃংখলতা' -১৫

মানৱতাবাদী লেখিকা ড° মামণি ৰয়ছম গোস্বামী —১৮

গণশিল্পী ড° ভূপেন হাজৰিকা -২১

কৌতুক! কৌতুক! কৌতুক -২৪

কবিতাৰ ঝুঁকি — ২৫ - ৩৭

গল্পৰ এচেৰেঙা — ৩৮ - ৫০

উল্লেখনীয় কিছু মুখ্য মুখ্য কথা - ৫১

অনুভৱৰ একাঁজলি : সেউজীয়া লোৱাৰ সপোন - ৫২

শৰৎ, শেৱালি আৰু নিয়ৰ : এটি অনুভৱ - ৫৪

জনপ্ৰিয় অসমীয়া ফকৰা যোজনা - ৫৭

এখঁদমান প্ৰবন্ধ —

বাস্তৱ দৃষ্টিৰে যাক লিখা হয়
জীৱনৰ সঁচা উপলব্ধি
যি হ'ব পাৰে,
যিবোৰ পঢ়ি পাৰে পাৰি
জ্ঞান তথা সঁহিয়াই চাব
পাৰি
নিজক, সমাজক ......

# সুশিক্ষা আৰু সৎ শিক্ষক

যি প্ৰক্ৰিয়াৰ দ্বাৰা মানৱ জীৱনক অন্ধকাৰৰ পৰা পোহৰলৈ নিব পাৰি, যি প্ৰক্ৰিয়াৰ দ্বাৰাই মানৱীয় জীৱনৰ জীৱনী শক্তি স্বৰূপ জ্ঞানৰ উঁৱালটো চমুকী কৰিব পাৰি, যাৰ অবিহনে জীৱন হয় অসাৰ, যাক প্ৰকৃত জীৱনৰ প্ৰতিশব্দ আখ্যা দিয়া হয়, যাৰ সহায়ত জীৱনৰ ৰাজমুকুট স্বৰূপ 'চৰিত্ৰ' গঢ় দিয়াত সম্পূৰ্ণ সহায় হয়, যি ব্যক্তি আৰু সমাজৰ মাজত যোগসূত্ৰ স্থাপন কৰিব পাৰে, তেনে এটি সৰ্বৰ অঙ্গাঙ্গী স্বৰূপ পদ্ধতিকে কোৱা হয় 'শিক্ষা'। এই শব্দটোৰ উৎপত্তিগত অৰ্থ হ'ল অন্তঃনিহিত শক্তি; প্ৰতিভা আৰু সম্ভাৱনাৰ পূৰ্ণ বিকাশ। বিশ্বৰ মহান শিক্ষাবিদ সকলে শিক্ষা সম্পৰ্কে ভিন-ভিন মত আগবঢ়াইছে। চক্ৰেটিছে কৈছে— "শিক্ষাই জ্ঞান, জ্ঞানেই শক্তি।" শিক্ষাবিদ লকে মতামত দিলে— "শিক্ষাই জীৱন, জীৱনেই শিক্ষা।" পানী নোহোৱা নদীৰ যিদৰে অৰ্থ নাই, শিক্ষাবিহীন জীৱনৰো অৰ্থ নাই। অৰ্থাৎ, জীৱনক অৰ্থপূৰ্ণ শিক্ষাইহে পৰিপূৰ্ণ কৰে। পুনৰ বিশ্বমানৱ মহাত্মা গান্ধীয়ে কৈছে— "শিক্ষা মানে শিশু আৰু ব্যক্তিৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক পূৰ্ণ বিকাশ।" সূত্ৰৰ ওপৰত আমি ক'ব পাৰোঁ যে, শিক্ষা হ'ল জীৱনৰ লগত জড়িত এটি উত্তম প্ৰক্ৰিয়া, যি আমাক অজ্ঞানতা, অৰ্থনৈতিক অভাৱ আৰু বিভিন্ন ৰোগৰ পৰা পৰিত্ৰাণৰ পথ প্ৰদৰ্শন কৰে। কেৱল নহয়, শিক্ষা হ'ল আত্ম উপলব্ধি আৰু জনগণৰ প্ৰতি সেৱা আগবঢ়োৱাৰ এক প্ৰধান সম্বল।

শিক্ষাৰ উৎস হ'ল প্ৰকৃতি, মানুহ আৰু ভৌতিক পৰিৱেশৰ অভিজ্ঞতা অৰ্থাৎ, এইটো এটা বাস্তৱ কথা যে, শিক্ষা আয়ত্বৰ ক্ষেত্ৰত মানুহৰ অধিকাৰৰ লগতে প্ৰকৃতি আৰু ভৌতিক জগতখনৰ ভূমিকাও লেখত ল'ব লগা। যেনে হ'লে নদীৰ পানী যিদৰে অনবৰত বৈ থাকিলেও একে পানীকে বৈ নাথাকে সেইদৰে জ্ঞানৰ উৎসও হয়তো সদায় একে নহ'ব পাৰে। বিজ্ঞসকলৰ মতে সুৰ মিলাই ক'ব পাৰি যে, শিক্ষা কেৱল জীৱনৰ কলাই নহয়, শিক্ষা মানে সৎ-চিত-আনন্দ, যিটোৰ প্ৰাৰম্ভিক কাঠিয়াতলীখন হ'ল পৰিয়াল বা ঘৰখন।

এখন ফুলনি বাগিচাত যিদৰে মালীৰ আৱশ্যক আছে, ঠিক সেইদৰেই শিক্ষা নামৰ বাগিচাখনতো মালী আছে, সেই জনেই হৈছে 'শিক্ষক'। পুৰণিকালত এই শিক্ষকৰে নাম আছিল 'আচাৰ্য' বা 'গুৰু'। বেদত শিক্ষকক 'Galuvit' বোলা হৈছে। অৰ্থাৎ, পথ প্ৰদৰ্শক হিচাপে শিক্ষকৰ কাৰণে বিশেষ উপাধি। পূৰ্বৰ জ্ঞান আৰু অভিজ্ঞতাৰ মাজেৰে শক্তিৱন্ত হৈ অজ্ঞানীক জ্ঞান দি অন্ধকাৰৰ পৰা পোহৰলৈ নিয়াৰ পথ প্ৰদৰ্শন কৰা জনেই হৈছে গুৰু বা শিক্ষক। অৰ্থাৎ, শিক্ষক হৈছে এগছি বন্তি বা জ্বলি থকা মমবাতিৰ দৰে। অভিজ্ঞতাপূৰ্ণ জ্ঞানে এজন শিক্ষকক পূৰ্ণতা প্ৰদান কৰে। যিটোৱে ছাত্ৰ-ছাত্ৰীৰ ওপৰত সহজে প্ৰভাৱ পেলাবলৈ সক্ষম হয়। সেয়ে, মহাত্মা আৰ.এল.এ মন্তব্য কৰিছে— "Teacher is another name of influence". অৰ্থাৎ, এজন শিক্ষক কেৱল শ্ৰেণী কোঠাত সোমাব পাৰে কিন্তু, এজন ভাল শিক্ষক প্ৰতিজন ছাত্ৰৰে হৃদয়ত সোমাব পাৰে। অন্যহাতে, আদৰ্শ শিক্ষক এজন ব্যক্তিগত জীৱনত

শিক্ষক হৈও এজন ভাল ছাত্ৰ হ'ব পাৰে। কাৰণ, প্ৰকৃত ছাত্ৰ এজনৰ কাৰণে অধ্যয়ন যিদৰে এটা প্ৰধান ব্ৰত, শিক্ষকজনৰ কাৰণেও অধ্যয়ন এটি অত্যাৱশ্যক ব্ৰত হ'ব লাগিব। অৰ্থাৎ, শিক্ষকজনে জানিব লাগিব যে অধ্যয়ন আৰু অধ্যাপনা বা শিক্ষকতা এটা আনটোৰ পৰিপূৰক। এই ক্ষেত্ৰত বিশ্ববিখ্যাত আদৰ্শ শিক্ষক দাৰ্শনিক ৰাধাকৃষ্ণণৰ এটি উদাহৰণ দাঙি ধৰিলো — অক্সফৰ্ড বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থকা অৱস্থাত ৰাধাকৃষ্ণণক সোধা হৈছিল, "সপ্তাহত দুই-এটা ক্লাছ কৰাৰ সত্ত্বেও আপোনাৰ বিষয়ত সকলো ছাত্ৰই ভাল ফল দেখুৱাব পৰাৰ কাৰণ কি?' তাৰ উত্তৰত তেওঁ কৈছিল যে, "সপ্তাহত দুই-এটা ক্লাছ কৰিবলৈকে তেওঁ নিজে সপ্তাহটো অধ্যয়ন কৰিছিল।" যি বস্তু নিজে জানি নাথাকে, যি আনক কি জনাব? অৰ্থাৎ, আদৰ্শবান এজন শিক্ষকে বুজিব লাগিব যে, অধ্যয়ন হৈছে এটা মানসিক সু-খাদ্য। খাদ্য-অখাদ্য দুয়োটাৰে সু-সমন্বয়ত যিদৰে সমতুল স্বাস্থ্যৰ গৰাকী হ'ব পাৰি, ঠিক সেইদৰে শিক্ষা আৰু শিকোৱা এই দুই সুষম প্ৰচেষ্টাতহে এজন আদৰ্শ শিক্ষক হ'ব পাৰি।

শিক্ষকৰ মহান গুণবোৰৰ ভিতৰত কৰ্তব্য পৰায়ণতা এটি মহান গুণ। এই সম্পৰ্কে গীতাত উল্লেখ আছে যে— "A man by offering worship to the almighty in the form of performence of duties attain perfection." অন্যথাতে এজন আদৰ্শ শিক্ষকে এইটোও মনত ৰাখিব লাগিব যে, "Who nourish the inword men, are the true guru of society."

বিজ্ঞসকলে স্বীকাৰ কৰে যে, এজন ভাল শিক্ষক হাজাৰজন পুৰোহিততকৈ মূল্যৱান। পুনৰ শিক্ষাবিদ আৰু দাৰ্শনিক এৰিষ্টটলৰ মতে সুৰ মিলাই স্বীকাৰ কৰিব লাগিব যে, শিক্ষক সকল জীৱনদাতা পিতৃ-মাতৃতকৈও বেছি শ্ৰদ্ধাৰ পাত্ৰ। কাৰণ, পিতৃ-মাতৃয়ে সন্তান জন্ম দিয়ে, জীৱন যাপনৰ প্ৰণালী নিৰূপণ কৰে শিক্ষকেহে। শেষত এজন শিক্ষকৰ দায়িত্বৰ মহত্ত্ব সম্পৰ্কত কবি ড০ সৰ্বপল্লী ৰাধাকৃষ্ণনৰ ভাষাতে "মই এজন শিক্ষক, আৰু শিক্ষাৰ কেনেকৈ লাগে তাক মই জানো"— বোলাৰ সাৰ্থকতা আশা কৰোঁ আহক।

— শ্ৰী মতী কৃষ্ণমণি দত্ত।
স্নাতক দ্বিতীয় ষাণ্মাসিক।

"শিক্ষাৰ উদ্দেশ্য মন প্ৰশান্ত কৰা, ঐক্য শান্তি বঢ়োৱা, শিক্ষাৰ্থীক ন-ন জ্ঞান দি ভৱিষ্যত জীৱন ধুনীয়া দেশৰ আৰু ভৱিষ্যতে জগতৰ কল্যাণ সাধনত সৰ্বপ্ৰকাৰে সোপযোগী কৰা।"

—তৰুণৰাম ফুকন

# পুৰণি বিহু আৰু বৰ্তমানৰ বিহু





"অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নাপাতি কেনেকৈ থাকোঁ।"

আতাম পুৰুষীয়া এই ৰঙালী বিহুটি অসমীয়া মানুহৰ প্ৰাণস্বৰূপ। বিহু বুলিলেই অসমীয়া মানুহৰ মন কমোৰা তুলা উৰাদি উৰিবলৈ ধৰে। ভেবেলী লতা ফুলোৱা এই বহাগ ঘূৰি-ঘূৰি আহে। চ'তৰ উদঙীয়া বতাহে চেনেহা মনকো পৰকি যায়। মদাৰ, পলাশৰ ৰঙা বোলে বুকুৰ মাজৰ কোনোবাখিনি সেন্দুৰীয়া কৰি তোলে। কেতেকী-তগৰৰ আমোলমোলনত গা-মন বাই-জাই হৈ উঠে। সুৰীয়া সুৰত বননি কঁপি উঠে। মুকলি হয় অসমীয়া লোকৰ মনৰ দুৱাৰ। আষাৰ ছন্দত জিলিকি উঠে পৰাণৰ অন্তৰপুৰ। অসমীয়া সংস্কৃতি পথাৰৰ সংস্কৃতি। কৃষিক কেন্দ্ৰ কৰি অসমীয়া জাতীয় কৃষ্টিয়ে যি স্বকীয় ৰূপ ললে তাৰ মনোৰম ইতিহাস চিৰিলুইতৰ পাৰত আৰু চাৰৈ পৰে বতৰ বুকুত বাসৰ পতোৱা হৈ আছে। জিলমিলোৱা এই ইতিহাস অসমীয়া জীৱনৰ স্বৰূপ বিহুৱেই আশ্চৰ্য-জনক ভাৱে উদ্ভাসিত কৰি ৰাখিছে।

সময় গতিশীল। সময়ৰ লগতে খোজ মিলাই বিহুৱেও গতি কৰিছে। কৃষিজীৱী লোকৰ পথাৰতো বৰ্তমান ঠাঁই পৰিছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ। বিজ্ঞানৰ প্ৰভাৱে কৃষি সভ্যতাক নৱীকৰণ কৰি তোলাৰ লগতে কৃষি পথাৰত এটা নতুন দিশৰ সন্ধান দিলে। দিখৌৰ এঁজুলি আৰু দিচৈৰ এঁজুলি লগ-লাগি সময় সাগৰৰ বহল বুকুলৈ যেন আগুৱাই যাব বিচাৰিছে। পথাৰ আৰু কাৰখানা, কৃষক আৰু বনুৱা, অতীত আৰু বৰ্তমানৰ নিকৰুণ পৰিস্থিতিৰ মাজত সংঘাত উপস্থিত হৈছে। যুগ সলনিৰ ফলত পাৰ হৈ যোৱা কালিটো আজি হেৰাই যাব ধৰিছে। সমাজ আৰু সামাজিক মনৰ ক্ষিপ্ৰ সলনিয়ে আগৰ ধ্যান-ধাৰণা, জীৱন এনেদৰে জোকাৰি পেলাইছে যে ভৱিষ্যতৰ চৰিত্ৰ হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। ক্ৰমান্বয়ে বাঢ়ি অহা দুখ-দৈন্যৰ [illegible] জীৱন অকা-সৰকা কৰিছে। এনেস্থলত সংস্কৃতিৰ প্ৰতীক বিহুৰ নিজস্ব স্থিতি বাৰু ৰাখিব পাৰিবনে ?

বিহু হৈছে প্ৰাচুৰ্যৰ প্ৰতীক। কৃষিজীৱী মানুহৰ আশা আৰু আনন্দৰ ই এক জিৰণিৰ উৎসৱ। হেঁপাহ পলুৱাই পোৱা আনন্দ, প্ৰেম আৰু মনৰ জিৰণি, ভৱিষ্যতৰ সোণ বৰণীয়া আশাৰে এই উৎসৱৰ স্বৰূপ কৃষিযুগত অপৰূপ হৈ উঠিছিল। আশাবাদৰ নাচনীক চোতালে-চোতালে নচুৱাই নতুন উদ্দীপনাৰে জাতীয় জীৱন প্ৰাণ-চঞ্চল কৰি তুলিছিল। পেঁপা-গগনাৰ স্বতঃস্ফূৰ্ত সুৰে জীয়াই ৰখাৰ আঁহাৰি জনাইছিল। লাহে-লাহে কৃষিমুখী জীৱনৰ ভেটি লৰিবলৈ ধৰিলে। হতাশা আৰু অনাটনৰ চেপা-খুন্দাত চটাই পথাৰতো জুই জ্বলিল। চিৰি লুইত শুকাই চিৰি ডুবি যেন গ'ল। পথাৰৰ তাণ্ডৱী

সময় গতিশীল। সময়ৰ লগতে যোগ মিলাই যুগেও গতি কৰিছে। কৃষিজীৱী লোকৰ গাঁৱত বৰ্তমান ঢৌ পৰিছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ। বিজ্ঞানৰ প্ৰভাৱে কৃষি পদ্ধতিক নবীকৰণ কৰি তোলাৰ লগতে কৃষি গাঁৱত এটা নতুন দিশৰ সন্ধান দিলে। দিখৌৰ এঁকুতি আৰু দিচৰ এঁকুতি লগ-লাগি সময় সাগৰৰ বহল বুকুলৈ যেন আগুৱাই যাব বিচাৰিছে। গাঁৱৰ আৰু কাৰখানা, কৃষক আৰু বনুৱা, অতীত আৰু বৰ্তমানৰ নিকৰুণ পৰিস্থিতিৰ মাজত সংঘাত উপস্থিত হৈছে। যুগ সলনিৰ ফলত পাৰ হৈ যোৱা কালিটো আজি হেৰাই যাব ধৰিছে। সমাজ আৰু সামাজিক মনৰ ক্ষিপ্ৰ সলনিয়ে আগৰ ধ্যান-ধাৰণা, জীৱন এনেভাৱে জোকাৰি পেলাইছে যে ভৱিষ্যতৰ উত্তৰাধিকাৰ হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। ক্ৰমান্বয়ে বাঢ়ি অহা দুখ-দৈন্যৰ অধেয়া শূলে জীৱন অকা-সৰকা কৰিছে। এনেস্থলত সংস্কৃতিৰ প্ৰতীক বিহুৰ নিজস্ব স্থিতি বাৰু থাকিবনে নে ?

বিহু হৈছে প্ৰাচুৰ্যৰ প্ৰতীক। কৃষিজীৱী মানুহৰ আশা আৰু আনন্দৰ ই এক জিৰণিৰ উৎসৱ। হঁপাহ পলুৱাই পোৱা আনন্দ, দেহ আৰু মনৰ জিৰণি, ভৱিষ্যতৰ কোনো বৰণীয়া আশাৰে এই উৎসৱৰ স্বৰূপ কৃষিযুগত অপৰূপ হৈ উঠিছিল। আশাবাদৰ নাচনীক চোতালে-চোতালে নচুৱাই নতুন উদ্দীপনাৰে জাতীয় জীৱন প্ৰাণ-চঞ্চল কৰি তুলিছিল। পেঁপা-গগনাৰ স্বতঃস্ফূৰ্ত সুৰে জীয়াই থকাৰ হেঁপাহ জগাইছিল। লাহে-লাহে কৃষিমুখী জীৱনৰ ভেটি লৰিবলৈ ধৰিলে। হতাশা আৰু অনাটনৰ হেঁপা-ধুনকাত চটাই পৰেবতত জুই জ্বলিল। চিৰি লুইত শুকাই চিৰি ভুটাপ যেন হ'ল। গাঁৱৰৰ ডাঙৰী

পথাৰতে হেৰাল, মন থাকিল হেৰাল মাটি। যদিও মাটি ৰ'ল, হেৰাই গ'ল লখিমী। জীৱন থাকিল, হেৰাই থাকিল আনন্দ। কৃষিক কেন্দ্ৰ কৰি গঢ় লৈ উঠা সমাজখনক কালৰ বা-মাৰলিয়ে থান-বান কৰি পেলালে।

পথাৰ কাষত এতিয়া পথাৰৰ বিশালতা নাই। নাই মেটমৰা ডাঙৰীৰ স্বপ্ন। ঢেকীশাল আৰু মজিয়াত তোপৰ হাত বাটেলি নাই, আছে কেৱল বজাৰৰ মোনাৰ বিক্ৰয়। নাহৰৰ কুঁহিপাতে এতিয়া বিহুৰ আগলি বতৰা নানে। কেৱল কেলেণ্ডাৰৰ ৰঙা চিনে বতৰা কঢ়িয়াই আনে যে মহাকালৰ বুকুত আৰু এটা বছৰ বাগৰি গ'ল।

পথাৰুৱা জীৱনৰ আজৰি উৎসৱে দিছিল নতুন কৰ্মপ্ৰেৰণা, সজীৱতা আৰু তৃপ্তিভৰা অপেক্ষা। কিন্তু বৰ্তমান যুগৰ সংকুচিত মেহনতী জনতাৰ আছেনে আজৰি? তথাপি অনিৰুদ্ধ আমাৰ গতি। মৰি মৰিও জীয়াই থাকে গণ জীৱনৰ অৱদমিত হাজাৰ আশা। কৃষি যুগৰ প্ৰাণ চঞ্চলতা, শিল্পযুগৰ সূচনাই ম্লান পেলালেও, ম্লান নপাৰে বিহু পতাৰ প্ৰচেষ্টাৰ। দোকানৰ ধান-তুঁহ মিহলি হৈ থকা চিৰা, তিল পিঠাৰ পেকেট, পাউদাৰ গাখীৰ মিহলোৱা চুটামান গাখীৰ টেকেলিৰে তোপৰ অজিনা খন সজাই তোলো। জনমৰ যুগমীয়া সংস্কৃতি মনে প্ৰাণে বচোৱাৰ চেষ্টা কৰোঁ। পেঁপা-গগনা আৰু ঢোলৰ গিৰিজনি মাতেৰে এদিন হ'লেও চুতলা হৈ উঠো।

যুগ-পৰিৱৰ্তনক যেনেদৰে বাধা দি ৰাখিব নোৱাৰি, তেনেদৰে সংস্কৃতিৰ পৰিৱৰ্তনকো ধৰি ৰাখিব নোৱাৰি। কাৰণ, সংস্কৃতি স্থবিৰ নহয়, গতিশীল। সময়ৰ লগে-লগে বিহুৰ আগৰ বাহ্যিক ৰূপ সলনি হৈ আছিল। সংস্কৃতিৰ প্ৰতীক বিহুৰ সকলো সলনি হ'লেও সলনি নহওক যেন বিহুৰ আবেদন, সলনি নহওক গণ জীৱনৰ এই বছৰেকৰ স্ফূৰ্ত হোৱা আনন্দৰ বাবে কৰা আন্তৰিক আকাংক্ষাৰ। কাৰণ, বিহুৱেই যে অসমীয়া মানুহৰ জীৱন যাত্ৰা আৰু জীৱন-দৰ্শন স্বমহিমাত বহন কৰি ৰাখিছে।

শ্ৰীমতী শিল্পী বুঢ়াগোহাঁই।
স্নাতক ষষ্ঠ ষাণ্মাসিক।

# জীৱন, সমাজ আৰু আশাবাদ

এক অন্তহীন যাত্ৰাৰ নাম "জীৱন"। এই যাত্ৰাৰ শিলাময় ৰাস্তাত কতবাৰ উজুটি খাওক, পিঞ্জৰা ভাঙি মুক্ত আকাশত উৰাৰ হেঁপাহত যিমানেই ডেউকা নাভাঙক কিন্তু তথাপি মানুহৰ এক অবিৰত যাত্ৰা মৃত্যু পৰ্যন্ত।

আশাৰ সমষ্টিয়েই মানুহৰ জীৱন। অপ্ৰাপ্তিৰ পৰা প্ৰাপ্তিৰ পিছত লৈ যিমানেই ব্যৰ্থ নহওক, মানুহ ধাৱমান হয় আশাৰ পাছে-পাছে। কাৰোবাৰ বাবে জীৱন সুখৰ, কাৰোবাৰ বাবে দুখৰ। এচাম শিশু যি কম্পিউটাৰ, ভিডিঅ' গেম লৈ ব্যস্ত, আনহাতে একেই তেজ, একেই প্ৰাণ তেনে কিছুমান শিশু যি আৱৰ্জনাত নিজৰ জীৱন বিচাৰি ফুৰে। পথৰ কাষত পৰি থকা ভিক্ষাৰীজনেও আশা কৰে এমুঠি অন্নৰ বাবে। এটি সুন্দৰ আশ্ৰয়ৰ সপোন দেখে ষ্টেচনত পৰি থকা মানুহজনেও।

মানুহ সমাজপ্ৰিয়। সমাজক বাদ দি মানুহ জীয়াই থাকিব নোৱাৰে। কিন্তু, একেখন সমাজত বাস কৰি আমি ইজনে সিজনৰ প্ৰতি সহানুভূতি-

শীল নে? বাতৰি-কাকত, টি.ভি. চেনেলত সঘনে দেখা যায় ডাইনী সজাই মহিলা হত্যা। এনে হৃদয় বিদাৰক ঘটনা দেখিলেই প্ৰশ্ন হয়, যি সময়ত মানুহ সাত সাগৰ তেৰ নদীৰ সীমাৰেখাত সীমাবদ্ধ নহৈ অন্য গ্ৰহতো ভৰি দিছেহি তেনে সময়ত মানুহৰ মনৰ পৰিসৰ ইমান ঠেক কিয়? বিজ্ঞানৰ উন্নতিয়ে পৃথিৱীখনক এখন বিশ্ব গাঁওত পৰিণত কৰিছে। বিজ্ঞানৰ উন্নতিৰ লগে-লগে মানুহৰ মনৰো উন্নতি হ'লেহে আমি উত্তৰণৰ দিশত আগবাঢ়ি যাব পাৰিম।

জীৱনৰ এই কঠিন বাস্তৱৰ পৰা আমি আহৰণ কৰিছো নিতৌ ন-ন অভিজ্ঞতা, সাক্ষী হওঁ ঘটনা প্ৰবাহৰ লগত, আন্ধাৰ-পোহৰৰ ধুৰলী-কুঁৱলীত দেখো মাথো সংকীৰ্ণ মনোভাৱৰ ভয়াবহতা। লৰ্ড ডেলহাউচিয়ে বাল্য বিবাহ আজিৰ যুগতো আমাৰ সমাজত ৰোধ কৰিব পৰা নগ'ল। ভাৰতবৰ্ষৰ বহুতো ভিতৰুৱা গাঁৱত আজিও চলি আছে বাল্য বিবাহ। কেৱল বাল্য বিবাহেই নহয়, কন্যা সন্তান জন্মও সহ্য নহয় কোনো-কোনো ঠাইত।

আমি একেখন সমাজৰ সুস্থাতুৰ মানুহবোৰে এই ৰক্ষণশীলতা আঁতৰাই একখন উদাৰ মনোভাৱী হ'ব নোৱাৰোনে? জীৱন মানেই সংগ্ৰাম। পলমলাই-পিলমলাই আমি যন্ত্ৰণাৰ বিষ পান কৰি আছিছো, জীৱনটো ফুলৰ দৰে সুবাসিত কৰি তুলিবলৈ আৰু আশা কৰো হত্যা, হিংসা, অপৰাধে কলুষিত নকৰা এখন সুস্থ সমাজৰ।

– শ্ৰী মনীষা গগৈ
ষষ্ঠ ষাণ্মাসিক

# নাৰীসমাজ জাগ্ৰত হ'বৰ হ'ল ....

নাৰী এক অনন্য শক্তি। যাক বাদ দি হয়তু এখন সমাজ বৰ্তি থাকিবলৈ অসুবিধা হ'ব। হয়তু অচল হৈ পৰিব সমাজ। বৰ্তমান সময়ত নাৰী- পুৰুষৰ মাজত কোনো ভেদভাৱ ৰাখিব নোৱাৰাকৈ চৰকাৰে বিভিন্ন কাৰ্যপন্থা হাতত লৈছে। সুদীৰ্ঘ এটা দশকতকৈও অধিক কাল ধৰি আন্তৰ্জাতিক নাৰী দিৱস পালন হৈ আহিছে। ৰাষ্ট্ৰসংঘই ১৯৭৫ চনটো আন্তৰ্জাতিক নাৰী বৰ্ষ হিচাপে ঘোষণা কৰাৰ পিছৰ পৰা বিভিন্ন আন্তৰ্জাতিক তথা ৰাষ্ট্ৰীয় অনুষ্ঠানে ৮ মাৰ্চৰ দিনটো আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰি আহিছে। উত্তৰ আমেৰিকা আৰু ইউৰোপত বিশ শতিকাৰ আৰম্ভণিতে হোৱা শ্ৰমিক আন্দোলনৰ বিভিন্ন কাৰ্যসূচীৰ মাজৰ পৰাই প্ৰথমে আন্তৰ্জাতিক নাৰী দিৱস পালনৰ ধাৰণাটো আহি পৰে। বৰ্তমান সময়ত নাৰী দিৱসৰ গুৰুত্ব বৃদ্ধি পাইছে।

আন্তৰ্জাতিক নাৰী সংঘই ২০১৩ চনৰ আন্তৰ্জাতিক নাৰীবৰ্ষৰ মূলমন্ত্ৰ ৰাখিছিল যে — "A promise is promise : Time for action to end violence against women." ২০১২ চনৰ মূলমন্ত্ৰ আছিল— "Empower rural women : End hunger and poverty." ২০১১ চনত আছিল যে "শিক্ষা, প্ৰশিক্ষণ আৰু বিজ্ঞান প্ৰযুক্তিত নাৰীক সমান সুবিধা প্ৰদান।"

২০১০ চনত আছিল — " সমঅধিকাৰ, সমসুযোগ : সকলোৰে বাবে প্ৰগতি।" ২০০৯ চনত আছিল " নাৰী আৰু কন্যাৰ প্ৰতি সংঘটিত হিংসাৰ বিৰুদ্ধে নাৰীপুৰুষ একত্ৰিত হোৱা।" ২০০৭ চনত আছিল " নাৰী আৰু কন্যাৰ প্ৰতি সংঘটিত হিংসা, নিৰ্মংসতা নিৰ্মূল।" এনেদৰে প্ৰতিটো আন্তৰ্জাতিক নাৰী বৰ্ষতে মূলমন্ত্ৰ ৰখা হয় যদিও হাতে কামে জানো সেই কাৰ্য কৰা হয় বা কিমান দূৰ সফল হয় আন্তৰ্জাতিক নাৰীসংঘ।

স্বাধীন ভাৰতৰ সংবিধানত সুনিশ্চিত ভাৱে নাৰীৰ সম অধিকাৰ আৰু সুৰক্ষা প্ৰদানৰ ব্যৱস্থা থকাৰ পিছতো নাৰীৰ সুৰক্ষাৰ বাবে উত্তৰাধিকাৰ আইন, ঘৰুৱা হিংসা নিবাৰক আইন আদিৰ দৰে বিভিন্ন আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহিলাৰ ৰাজনৈতিক ক্ষেত্ৰত অংশীদাৰিত্ব সুনিশ্চিত কৰিবৰ বাবে সংসদত ৩৩ শতাংশ, পঞ্চায়তীৰাজ ব্যৱস্থাত ৫০ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। সমাজ কল্যাণ বিভাগেও এনেদৰে বহুত কাৰ্যপন্থা হাতত লৈছে। কিন্তু প্ৰকৃত অৰ্থত নাৰীয়ে উচিত মৰ্যাদা পাইছেনে? এই ক্ষেত্ৰত নাৰী সমাজ কিমান সচেতন? সচেতন হৈয়ো সামাজিক পৰম্পৰাৰ বান্ধত কিমানে নিজৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিছে বা পৰা নাই? সঁচাকৈয়ে, নাৰীসকল জাগ্ৰত হবৰ হল। নাৰীয়ে নিজকে প্ৰমাণ কৰি তোলাৰ সময় আহি পৰিছে।

পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাই নাৰীসকলৰ সত্তাক ঢাকি ৰাখিছে। উচ্চশিক্ষিতা হৈয়ো নাৰীয়ে বা ইচ্ছা থাকিলেও প্ৰশাসনিক বা দায়িত্বপূৰ্ণ কাম কৰিবলৈ, ঘৰৰ দায়িত্ব পালনৰ বাবে তেনেই আহিব নোৱাৰে

অথাৎ নাৰী সকল কিছুক্ষেত্ৰত পিছ পৰি থাকিবলৈ বাধ্য। যদি পুৰুষৰ সমানেই অধিকাৰ আৰু ক্ষমতা নাৰীয়েও কৰিব লাগে তেতিয়া সঁচাই নাৰীয়ে আত্মবিশ্লেষণ কৰাৰ সময় আহি পৰিছে। নাৰী সকলে নিজৰ অধিকাৰ বা অন্যান্য সকলো দিশতে আগবাঢ়ি যাবলৈ হলে নিজেই সচেতন হব লাগিব। নিজে নিজৰ প্ৰাপ্য আদায় কৰিব লাগিব। প্ৰতিবাদী নাৰীয়ে সমাজখন সুস্থিৰ কৰি ৰাখিবৰ বাবেও অৱদান যোগাব লাগিব। সুস্থ ৰুচিবোধ আৰু সকলো দিশৰ ফালেৰে সকলো নাৰীয়ে নিজকে পুষ্ট কৰিব লাগিব। সুমিমত শিক্ষাৰ মাধ্যমে নিজৰ মানসিকতা তথা জীৱন শৈলীত পৰিৱৰ্তন কৰিব লাগিব।

অসমীয়া নাৰীয়ে বোৱা কটাৰ পৰা আৰম্ভ কৰি আন সকলো সোহামত দিশতে গুৰুত্ব সহকাৰে নিজৰ দায়িত্ব পালন কৰিব লাগিব। নাৰী নাৰীৰ মাজত যদিও প্ৰতিবাদী নাৰীৰ প্ৰাপ্য অধিকাৰৰ বাবে সৰ সৰ নাৰীয়ে ঐক্যক সহায় কৰিব লাগিব। অন্যায় অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদী নাৰী থিয় হোৱাটো নিতান্তই আৱশ্যক। প্ৰতিজন পুৰুষক আমি উপলব্ধি কৰোৱাব লাগিব - সম অধিকাৰ আৰু নাৰী সবলীকৰণৰ বাবে পুৰুষৰ কৰণীয় কি? বৰ্তমান হত্যা-হিংসাৰে জৰ্জৰিত সমাজত নাৰীৰ স্থানৰ উত্তৰণ ঘটাবৰ বাবে পুৰুষৰ নাৰীৰ সমানেই দায়িত্ব আছে। আমি আৰু এটা কথা গুৰুত্ব সহকাৰে মনত ৰাখিব লাগিব যে "One women can change something and some women can change everything."

মহিলাৰ সবলীকৰণৰ বাবে মহিলাই আধ্যাত্মিক শিক্ষাতেও শিক্ষিত হ'ব লাগিব। আধ্যাত্মিকতা ক্ষেত্ৰ এনে এক শক্তি যাক ধৰ্ম বুলি অস্বীকাৰ কৰিব পৰা যায়। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল, — " আধ্যাত্মিকতাত বিজ্ঞান, দৰ্শন আৰু ধৰ্মৰ সাৰখিনি দেখিবলৈ পোৱা যায়।" স্বামী বিবেকানন্দই ধৰ্মক পৃথিৱী আৰু আধ্যাত্মিকতাক আকাশৰ লগত তুলনা কৰিছে। আধ্যাত্মিকতাৰ প্ৰথম স্তম্ভ হ'ল ব্যক্তিয়ে নিজৰ স্বৰূপে পৰিচয় জানিব লাগিব। ছান্দোগ্য উপনিষদৰ মতে " যাক জানিলে আন সকলো অজ্ঞানতা আঁতৰি যায়, আমি সেই জ্ঞানৰ অধিকাৰী হ'ব লাগিব। সেয়াই হ'ল আত্মজ্ঞান।" আমি যেতিয়া ভাবিবলৈ লম " মই কোন", মই কৰ পৰা আহিলো?", " ক'লৈ যাম?" " মই " প্ৰকৃততে কোন? তেতিয়াই আমাৰ হৃদয় অজ্ঞান বিশালতাৰে ভৰি পৰিব। এনেবোৰ চিন্তাবোৰ যিমানেই মনলৈ আহিব সিমানেই আমাৰ মনবোৰ বিশাল হ'ব।

এই বিশ্বব্ৰহ্মাণ্ডৰ স্ৰষ্টা কোন? তেওঁ এক শক্তি যে ভগৱান বা গড বা আল্লা নেকি? তেওঁৰ লগত মানুহৰ সম্বন্ধ কি? ইয়াৰ উত্তৰ নিশ্চয় আধ্যাত্মিকতাই দিব। আধ্যাত্মিকতাই মানুহক সকলো দিশৰ পৰা শক্তিশালী কৰি তোলে। সৰলতা, সত্যবাদিতা, প্ৰেম, অহিংসা, সহানুভূতিশীল, সহযোগিতা, মিঠা আচৰণ, মন-শৰীৰৰ পৰিচ্ছন্নতা, আত্মসন্মান, আনক সন্মান প্ৰদান, ধৈৰ্য্য, সাহস, উৎসাহ, ক্ষমা, সন্তুষ্টি, নিৰহংকাৰ, সংযমী আদি সকলো গুণ ব্যক্তিয়ে আধ্যাত্মিকতাৰ পৰা আহৰণ কৰিব পাৰে। আধ্যাত্মিক সবলীকৰণে

ব্যক্তিৰ আভ্যন্তৰীণ শক্তি বৃদ্ধি কৰে। নাৰীৰ দুৰ্দশাগ্ৰস্ত সামাজিক স্থিতি নাইকিয়া কৰিবলৈ পুৰুষ-স্ত্ৰী ভেদে সকলোকে মানসিক অৱস্থাৰ পৰিবৰ্তন আনিব লাগিব। আধ্যাত্মিক সবলীকৰণে নাৰীক যোগ্যৰ পৰা পূজ্যৰ শাৰীলৈ লৈ যাব। নাৰী সমাজৰ পথ প্ৰদৰ্শক হ'ব পাৰে। স্বামী বিবেকানন্দই কৈছিল — "এটা জাতি কেতিয়াও আগুৱাই যাব নোৱাৰে, যদিহে মহিলাক পাছত পেলাই ৰখা হয়।" ভাৰতীয় জনমানসত সজীৱ হৈ থকা 'বন্দে মাতৰম' ধ্বনিয়েও নাৰীক (মাতৃক) সন্মানিছে।

নাৰীক সমাজত মৰ্যাদাসম্পন্ন আসনত অধিষ্ঠিত কৰিবলৈ স্ত্ৰী-পুৰুষ উভয়কে মানসিক ভাৱে সজ্জিত কৰি তুলিব লাগিব। সমাজত মূল্যবোধ হেৰাই যোৱাৰ লগে লগে নাৰীৰ মৰ্যাদা অৱনমিত হোৱাটো এক ঐতিহাসিক সত্য। সমাজত মূল্যবোধ জাগ্ৰত কৰাত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা আছে। গতিকে নাৰী সমাজৰ স্থিতি বজাই ৰাখিবৰ বাবে সকলোৱে মূল্যবোধৰ শিক্ষাৰে শিক্ষিত হ'ব লাগিব আৰু নাৰী সমাজেই এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। এতিয়া নাৰী জাগ্ৰত হোৱাৰ সময়।

— শ্ৰী উল্লমণি গগৈ
ষষ্ঠ ষাণ্মাসিক

# আধুনিক সময়ৰ ডাঙৰ সমস্যা 'যুৱ উচ্ছৃংখলতা'

'যুৱ-শক্তি' এখন দেশ বা সমাজৰ মূল চালিকা শক্তি। যৌৱনৰ এই সময়ছোৱাই নিজকে প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলাৰ উত্তম সময়। সমাজ তথা জাতি এটা গঠন কৰাৰ ক্ষেত্ৰত যুৱ সমাজৰ দায়িত্ব সকলোতকৈ বেছি। যুৱ সমাজ এখন দেশৰ ভৱিষ্যত। সেই যুৱ সমাজ যেতিয়া উচ্ছৃংখলৰ সন্মুখীন হ'ব লগা হয়, তেতিয়া সমাজৰ কাৰণে ই হৈ পৰে চিন্তনীয় বিষয়।

বৰ্তমান বাতৰি-কাকত নাইবা অন্যান্য বৈদ্যুতিক মাধ্যম সমূহত যুৱ উচ্ছৃংখলে মুখ্য স্থান অধিকাৰ কৰিছে। ই সমাজৰ বাবে এক বিপদৰ আগজাননী। পৰিবেশ আৰু পৰিস্থিতিৰ মাজত এচাম যুৱক-যুৱতীয়ে আত্ম-নিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলতে এই উচ্ছৃংখল উদ্ভৱ হৈছে। বৰ্তমান সমাজত সঘনাই ঘটি থকা ঘটনা সমূহ যেনে— হত্যা, ধৰ্ষণ, লুণ্ঠন, অপহৰণ, ডকাইটি আদি কামবোৰত যুৱ সমাজ জড়িত হৈ পৰা দেখা যায়।

বৰ্তমান সময়ত সমাজত ভয়াবহ ৰূপ ধাৰণ কৰা নিবনুৱা সমস্যাই যুৱ উচ্ছৃংখলতা বৃদ্ধি হোৱাত ব্যাপক অৰিহণা যোগাইছে। নিজৰ অভাৱ পূৰণৰ তাগিদাত বেয়া কামবোৰ কৰিবলৈ অলপো কুণ্ঠাবোধ নকৰে।


বিজ্ঞাপনৰ সুলভ ভাল-বেয়া বিচাৰ নকৰি চকু মুদি অনুকৰণ কৰা পাশ্চাত্য সংস্কৃতিয়ে বহু পৰিমাণে মানৱীয় মূল্যবোধৰ অৱক্ষয় ঘটোৱা দেখা যায়। তাৰ ফলশ্ৰুতিত মানুহৰ মাজত দয়া-মমতা, মৰম-স্নেহৰ কোনো মূল্য নোহোৱা হৈছে। আৰু তাৰ লগে-লগে বাঢ়ি গৈছে যুৱ উচ্ছৃংখলৰ পৰিমাণ।

সাম্প্ৰতিক কালত দৃষ্টিগোচৰ হোৱা এটা প্ৰধান সমস্যা হৈছে অভিজাত পৰিয়ালৰ সন্তান সকল। সন্তানে যি লাগে বুলি কৈছে, পিতৃ-মাতৃয়ে বিচাৰ নকৰাকৈ তাকে দি দিছে। ফলস্বৰূপে বিভিন্ন অপকৰ্মত লিপ্ত হৈ উচ্ছৃংখলৰ পৰিমাণ বৃদ্ধি হৈছে। বৰ্তমান মন্ত্ৰী-আমোলা, নাইবা চৰকাৰী বা বেচৰকাৰী বিষয়া সকলে বিভিন্ন দুৰ্নীতি মূলক কামত জড়িত হোৱা দেখা যায়। যিবোৰে যুৱ সমাজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি সমাজত উচ্ছৃংখল বৃদ্ধি কৰিছে।

এখন দেশৰ ভৱিষ্যতৰ উত্তৰাধিকাৰী হৈছে যুৱ প্ৰজন্ম। আধুনিক জীৱন-যাত্ৰাৰ গতি পথে যুৱ চামৰ মানসিকতাক সলনি কৰিছে। তাৰ লগে-লগে মানৱীয় মূল্যবোধৰ অৱক্ষয় ঘটি বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে। বৰ্তমান যুৱ প্ৰজন্মৰ মাজত আত্ম-বিশ্লেষণৰ অভাৱ দেখা গৈছে। যুৱ সমাজ যদি বিপথে পৰিচালিত হয়, এই ক্ষেত্ৰত মাৰ বান্ধি থিয় হ'ব লাগিব অভিভাৱক, ৰাইজ আৰু চৰকাৰ। এনে কৰিলেহে এখন দেশ বা সমাজ ধ্বংসৰ মুখৰ পৰা হাত সাৰিব পাৰিব বুলি আশা কৰিব পাৰি।

শ্ৰীমতী অনামিকা হাজৰিকা।
স্নাতক ষষ্ঠ ষাণ্মাসিক।

# মানৱতাবাদী লেখিকা
## ড° মামণি ৰয়ছম গোস্বামী



কিছুমান মানুহে এক বিশেষ গুণৰ বাবে তেজ-মঙহৰ মানৱ শৰীৰৰ খোলাতে সোমাই থাকিও সকলো পাৰ্থিৱ উপাদান আৰু কাৰকৰ ঊৰ্দ্ধত অৱস্থান কৰে। তেনেকৈয়ে ড° ইন্দিৰা গোস্বামী নামৰ পাৰ্থিৱ মানুহ এগৰাকী হৈ পৰিছিল মামণি ৰয়ছম গোস্বামী নামৰ এটা সত্তা, এটা শক্তি। তেখেতৰ আয়ুসবোৰ সৃষ্টিকৰ্মতে নিহিত হৈ আছে সমাজ আৰু সাহিত্যৰ প্ৰতি মহৎ বাণী। মূলতঃ মামণি ৰয়ছম গোস্বামী আছিল মানৱতাবাদী লেখিকা। বিশ্ববন্দিত মহৎ লেখকসকলৰ সৃষ্টিৰ মাজত থকা মানৱীয় মূল্যবোধ তেওঁৰ বহুতো সাহিত্য কৰ্মৰ আধাৰ আছিল। কলাৰ কৈৱল্য-বাদতকৈ কলাক মানুহৰ কল্যাণৰ হকে ব্যৱহাৰ কৰাতে গুৰুত্ব দিয়া মামণি ৰয়ছম গোস্বামীৰ সৃষ্টিসমূহে মানুহৰ বাবে যুগে-যুগে কঢ়িয়াই লৈ ফুৰিব বহুতো শাশ্বত বাণী।

'আধা লেখা দস্তাবেজ'ৰ পৰা [illegible] বা থেং ফাক্‌ছা তহচিলদাৰৰ তামৰ তৰোৱাল'লৈ তেওঁৰ গদ্য পৰিক্ৰমা লক্ষ্য কৰি ক'ব পাৰি, গদ্যৰ শৈলী বা বিষয়বস্তু বৰ্ণনৰ বাবে তেওঁ কৰা কঠোৰ শ্ৰম কৰিবলৈ প্ৰস্তুত লেখক আজিলৈকে অন্ততঃ অসমীয়া সাহিত্যত ওলোৱা নাই। সেয়েহে, মামণি ৰয়ছম গোস্বামী অবিকল্প। সাধাৰণ মানুহৰ জীৱনক গোস্বামীয়ে কৰা অধ্যয়নৰ দৃষ্টিভংগী অনন্য আৰু একক। ব্যক্তিত্বৰ কঠিন

সোণাৰ সাজত তেওঁ যি যেন অতি সংবেদনশীল হৃদয় বহন কৰি, লালন-পালন কৰি ফুৰিছিল, সেই মন হৃদয় লুকাই থৈছিল সাধাৰণ মানুহৰ জীৱন-শৈলীৰ অধ্যয়ন আৰু উপলব্ধিৰ বেলাত। নিজে ডাঙৰ-দীঘল হোৱা, সমীয়া পৰিৱেশৰ পৰম্পৰাত থকা অন্ধবিশ্বাস-অবিশ্বাস, আধুনিকতাৰ স্পৰ্শত একলা-দুকলাকৈ নোহোৱা হ'ব খোজা ঘটনাক তেওঁ খি দৃষ্টিৰে অধ্যয়ন কৰিছে তাত আন্তৰিকতা, সততা বিৰাজমান। ইতিহাস হৈ পৰা চৰিত্ৰ একোটাকো কল্পনাৰেই মানৱীয় প্ৰবৃত্তি-নিবৃত্তিৰ সাজ পিন্ধাই তেওঁ সূক্ষ্মভাৱে লক্ষ্য কৰিছে। কিন্তু, কাল্পনিক মানচিত্ৰৰ জগত এখনত তেওঁ ৰোমাণ্টিক বিচৰণৰ পৰা নিজক বিৰত ৰাখিছে। 'নীলকণ্ঠী ব্ৰজ'ৰ ৰাধেশ্যামী সকলৰ বিষময় জীৱন-যুদ্ধৰ পৰা 'মামৰে ধৰা তৰোৱাল' আৰু 'অহিৰণ'ৰ অসহায়-অশিক্ষিত শ্ৰমিকসকলৰ চিন্তা-চেতনাত এই কথাষাৰ স্পষ্ট ৰূপত প্ৰকাশ লাভ কৰা দেখা যায়। তেখেতৰ প্ৰত্যেক লেখাতে তেওঁ নিজে মনেৰে সোমাই পৰিছে। 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা'ৰ সেই কুখ্যাত সাম্প্ৰদায়িক নৰমেধ যজ্ঞৰ সেই অসহনীয় দিনবোৰত ৰাজনীতি বুজি নোপোৱা নিৰীহ মানুহবোৰৰ দুৰ্দশাই হওঁক বা 'বৰফৰ ৰাণী' নামৰ দীঘল গল্পটোৰ সেই বগী সাইজনীৰ মৃত্যু কেন্দ্ৰিক পৰিস্থিতিত সোমাই পৰা মানৱ চৰিত্ৰবোৰৰ অস্তিত্বই হওঁক বা 'দাশৰথিৰ খোজ' আৰু 'উদয় ভানুৰ চৰিত্ৰ' উপন্যাসৰ মাজত লগ পোৱা আধুনিকতাৰ পোচাক পিন্ধি আধুনিকতাৰ পৰা পলাই ফুৰিব খোজা চৰিত্ৰবোৰেই হওঁক — সকলোখিনি তেওঁৰ জীৱনৰ

লগত জড়িত হৈ পৰিছে। তেওঁৰ ব্যক্তিগত আৰু পাৰিবাৰিক জীৱনৰ ঘটনা-প্ৰৱাহ লক্ষ্য কৰিলে দেখা যায়, সকলো ব্যক্তিগত আৰু পাৰিবাৰিক দুখ-সুখ অতিক্ৰম কৰি চিনিক্ত পত্নীৰ দাৰে তেওঁ পুনৰ্জীৱিত হ'ল। জীৱন যুদ্ধত বিপন্ন, শিল্পী সকলৰ বাবে তেওঁ হৈ ৰ'ল অনুপ্ৰেৰণাৰ এক জীৱন্ত প্ৰতিচ্ছ। তেওঁ হৈ পৰিল এটা সামাজিক সত্তা।

জাতীয় জীৱনৰ সংকটৰ বেলাত মানৱাত্মাক উদ্ধাৰৰ বাবে তেওঁ আপবাঢ়ি আহিছিল। কিন্তু, তেওঁৰ সময় পৰিক্ৰমাৰ অন্ত পৰিল অতি কম দিনতে। তেওঁ যেন খহি পৰিল জংগম আকাশৰ পৰা। কিন্তু, তেওঁৰ বিকিৰিত আলোক মালাৱে সংবেদনশীল আৰু চিন্তাশীল অসমীয়া মানুহ মুঠিয়ে আঁউকীৰ আন্ধাৰৰ মাজতো উত্তৰণৰ বাট বিচাৰি পাব। অসমীয়া 'জন-গণ-মনত' আমাৰ ৰঘুনাথ গোস্বামী জীয়াই থাকিব সদায়....।

শ্ৰী মতী দেবাশ্ৰী দেৱী।
স্নাতক ষষ্ঠ যাণ্মাসিক।

# গণশিল্পী ড° ভূপেন হাজৰিকা

ড° ভূপেন হাজৰিকা অসমীয়া জাতিৰ বাবে এজন গুৰুৰ আসনত থকা ব্যক্তি। এখন ভেদাভেদহীন সমাজৰ সপোন, শিল্পী নাগৰিক, গণশিল্পী; এককথাত ক'বলৈ গ'লে তেওঁ মানুহক মানুহৰ কাষ চপোৱাৰ, মানুহক মানুহৰ বাবে ভবাই তোলাৰ এক শক্তিশালী ব্যক্তি। এনে ব্যক্তি নহয় এক প্ৰতিষ্ঠান।

"তোমাৰ কণ্ঠ বাদ দি মই
মোৰ জন্মভূমিৰ নক্সা আঁকিব নোৱাৰোঁ।"

ড° মামনি ৰয়ছম গোস্বামীয়ে ড° হাজৰিকাক লৈ লিখা এই কবিতাফাঁকি তেওঁলোকৰ ক্ষেত্ৰত প্ৰকৃততে সঁচা। ড° ভূপেন হাজৰিকাৰ জীৱনৰ অনেকৰ পৰিচয় লেন আঁকৰা। ড° হাজৰিকা আছিল এজনাৰ কবি, গীতিকাৰ, সুৰকাৰ, সংগীতশিল্পী আৰু সৰ্বোপৰি তেওঁ এক মহান সাংস্কৃতিক সাধকৰ। সমগ্ৰ ভাৰতবৰ্ষতে ড° ভূপেন হাজৰিকাৰ বাহিৰে এনে এজন গায়ক নাই যাৰ যাদুকৰী কণ্ঠত আৰু অনুপম কাব্যময় গীতত সমাজৰ বিভিন্ন শ্ৰেণীৰ, বিভিন্ন কৰ্মক্ষেত্ৰৰ আৰু বিভিন্ন জনগোষ্ঠীৰ মানুহৰ জীৱন সংগ্ৰামৰ ছবি প্ৰতিফলিত হৈছে। লগতে তেওঁলোকৰ সমন্বয়ৰ বাণী প্ৰতিধ্বনিত হৈছে। তেওঁৰ গান পৰিণত হৈছে এক বৃহৎ ঐক্যসাধিনী শক্তিত। তেওঁৰ গীতৰ দ্বাৰা মানুহক মানুহৰ বাবে ভবাই

তুলিছিল। বৰ্তমান প্ৰজন্মৰ জনপ্ৰিয় সংগীতকাৰ পাপন্ন মিতেই কৈছে-" ড° ভূপেন হাজৰিকাই যেতিয়া গীত গায়, তেতিয়া তেওঁৰ মুখেৰে শব্দবোৰ ওলাই আহে ঈশ্বৰৰ শব্দ হৈ, সুৰবোৰ ওলাই আহে নটৰাজৰ সুৰ হৈ।" তেওঁৰ প্ৰতিটো গীতত জীৱনৰ বাস্তৱচিত্ৰ প্ৰতিফলিত হয়। আশ্চৰ্যৰ কথা যে, বিভিন্ন সময়ত, বিভিন্ন পটভূমিত লিখা বা গোৱা গীতবোৰত হাজৰিকাই যিবোৰ সমস্যাৰ কথা উত্থাপন কৰিছিল, আজিও একবিংশ শতিকাতো অসম আৰু অসমীয়া সমাজে সেইবোৰ সমস্যাৰ পৰা মুক্তি পোৱা নাই।

নিঃস্বাৰ্থভাৱে অসমক ভালপোৱা, লুইতৰ পাৰ জিলিকোৱা ড° ভূপেন হাজৰিকা আছিল সমন্বয়ৰ সাঁকো স্বৰূপ। যি এক পথপ্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰিছিল। যাৰ গীতত জনতাই বিচাৰি পাইছিল মানুহৰ হৃদয়ৰ বাৰ্তা। যিবোৰ গীত শুনিলে মানুহে সৰ্বসাধাৰণক, দুখীয়া-নিচলাক ভাল পাব পাৰে। বিভিন্ন জাতি-জনগোষ্ঠীক আপোন ভাই বুলি ভাবিব পৰা কৈ সকলোৰে হৃদয়ত মানৱ প্ৰেমৰ বীজ অংকুৰিত কৰিব পাৰে। সেইবাবে তেওঁক কোৱা হৈছে গণশিল্পী। অসমীয়াৰ প্ৰাণ, অসমীয়াৰ আত্মা। ১৯৭৩ চনত বাৰ্লিন আন্তৰ্জাতিক চেমিনাৰত ড° হাজৰিকা দেৱে কৈছিল — "Songs are definitely instruments for social change"

সেয়েহে, জনতাৰ আপোনৰো প্ৰাণৰ এইজনা শিল্পীয়ে জনতাৰ মানুহ হৈ, জনতাৰ শিল্পী হৈ, বিভিন্ন ধৰণে সত্যৰ পিনে পৰিচয় কৰাই পথ প্ৰদৰ্শক হৈ ৰৈছিল। তেওঁ দি যোৱা মহান সৃষ্টিসমূহে অসমীয়া জাতিক জীয়াই ৰখাৰ বাবে সদায় অনুপ্ৰেৰণা যোগাব আৰু অসমৰ জাতীয় সত্তাক বৰ্তমান-ভৱিষ্যতলৈও চহকী কৰি তুলিব।

শ্ৰী ৰিনিজি পেগু
ষষ্ঠ ষাণ্মাসিক

# কৌতুক! কৌতুক! কৌতুক! কৌতুক!

শুনি শুনি হাঁহো আঁহা ।

১. বাবু : মা, আজি মোৰ বন্ধু এজন আহিব । তুমি মোৰ খেলনাবোৰ লুকুৱাই থোৱাছোন ।

আক : কিয় ? তোমাৰ বন্ধু চোৰ নেকি ?

বাবু : নহয়, নহয়, সি যদি নিজৰ খেলনাবোৰ চিনি পায় তেতিয়া বৰ বেয়া কথা হ'ব ।

২. বাপেক : (পুতেকৰ প্ৰতি) হেৰৌ, তোৰ বয়সত হেম বৰুৱাই বজাৰত আঠীয়া কল বিক্ৰী কৰি স্কুলত পঢ়িছিল । জাননে ?

পুতেক : নাজানো । কিন্তু এটা কথা জানো যে আপোনাৰ বয়সত হেম বৰুৱা এম. পি. হৈছিল ।

৩. (এহাল যুৱক যুৱতী ৰেষ্টুৰেণ্টত ।) যুৱকে কৈছে — "কি খাবা ।" যুৱতীৰ উত্তৰ — "তুমি যি খাবা ময়ো তাকে খাম ।" তেতিয়া যুৱকে কৈছে — "বেটাৰ, মেনুখন লৈ আনা ।"

তেতিয়া আক' যুৱতীগৰাকীয়ে কৈছে — "ময়ো মেনুকে খাম দিয়া ।" হাঃ হাঃ হাঃ

## কবিতাৰ ঝুঁকি......

কবিতা নহয় কেৱল
শব্দৰ মালা,
ই কেৱল নহয় ছন্দোময়
লয়লাস ।


কবিতা হ'ব পাৰে
জীৱনৰ গুঞ্জন,
নতুবা
আশা আৰু সপোনৰ
ছুঁয়ামুয়া কথোপন ॥

# যুগৰে যুগৰে 'শিপাই' থাওক

আমি অসমী আইৰ সদ্যজাত সন্তান
আশাৰ কৰ্ণধাৰ,
যিয়ে আমাক হৃদয়ত ধাৰণ কৰি
মাটি-পানীৰে পাড়ি পাড়ি
বীজক কিশলয় কৰি নমাই থলে পৃথিৱীত,
যাৰ মমতাত গলি যায় হৃদয়,
ধাৰাসাৰ বৃষ্টিৰ দৰে নামে ....
মমতাৰ অন্তহীন এটি শব্দ
আপোনৰো আপোন 'আই'।
তোমাৰ হৃদয়ৰ তেজেৰে পুষ্ট আমি
আমি তোমাৰ পৰিচয় ভৱিষ্যতৰ
'শিপা' হৈ খামুচি আছো অনন্ত কাললৈ
অনুৰোধ এটা আছে
মোৰ সুহৃদলৈ
খুচৰি চাওক 'শিপা'ক
আঁটি আঁটি মেৰাই থওক 'শিপা'ক
যুগৰে যুগৰে 'শিপা' হৈ থাওক মাতৃৰ চেতনা
সকলোকে আবৰি ৰাখক 'শিপা' হৈ ....।

— শ্ৰী কাৰ্লী গগৈ
চতুৰ্থ ষাণ্মাসিক

# বাস্তৱৰ অস্থিৰ স্বপ্ন



কেনিবা যোৱা
মোকো লৈ যোৱা,
সপোনত খোজ দিবলৈ
ময়ো যাম স্বপ্নৰ মুখামুখি হ'বলৈ
পাহৰি যাম বাস্তৱৰ ৰং
পাহৰি যাম এই হিংসুকজনৰ জীৱন
আকোঁৱালি লম স্বপ্নৰ বাস্তৱক
এবাৰ মোকো পাৰিবনে দিয়া
স্বপ্নৰ দেশত ।
পাহৰি যাবলৈ দিয়া দিনকৰ অস্তিত্বক
নোৱাৰো আৰু সহিব এই বেদনা
যি বেদনাই মোক শেষ কৰি দিছে
মইও পাহৰি যাব খোজো ৰঙৰ মেলাত
বতাহে উৰুৱাই নিয়া ধূলিৰ দৰে,
মইও উৰিব খোজো সপোনৰ কোলাত
নিবিচাৰো বাস্তৱক কাষত
থাকিব খোজো গোটেই জীৱন স্বপ্নত ॥

— শ্ৰী গায়ত্ৰী শইকীয়া
ষষ্ঠ ষাণ্মাসিক

# মোৰ অনুভৱ




নুফুলা গোলাপ মোৰ
অলপতে মৰহি গ'ল,
মনৰ আপোন মোৰ
হেৰাই গ'ল,
ভাবিছিলো সুখতে থাকিম
উটি ভাঁহি ।
কিন্তু জানো সেই সুখ,
হেৰাই গ'ল
নিমিষতে আজি
নোখোৱাকৈ যদিও থাকিব পাৰি,
দুখৰ বোজালৈ
থাকিব নোৱাৰি ।
মধুৰ মধুৰ বিষাদৰ যন্ত্ৰণা
নিগৰিছে দুচকুত
তেজৰ বাৰিষা ।
আজি যেন মন আকাশত মোৰ
বলিয়া ডাৱৰ আকাশ ফালি
কোনে জানো দিব
আজি সুখৰ খবৰ ।

— শ্ৰীমতী দুলুমণি বাইজুং
চতুৰ্থ ষান্মাসিক

# স্মৃতিৰ বন্যা


দুৰ্দিনৰ তীৰে তীৰে স্মৃতিৰ বাখৰ কণা
টিকমিক টিকমিক টুকুৰা হৈ
হৃদয় কঁহুৱাৰ মাজে মাজে
আঁকি আছে মোৰ স্মৃতিৰ বন্যা।
তেতিয়া মেলি মন পখী সীমনালৈ বুলি
অসময়ৰ বালিঘৰ হৈ গ'ল লীন,
আমাৰ ভৱিষ্যতৰ সোণালী সপোনে
স্মৃতিৰ চাকনৈয়াত দিগ্‌ভ্ৰান্ত হৈ
ৰাখি গ'ল বলুকাত
যুগান্তৰৰ চিন ॥
অপ্ৰস্ফুটিত ফুলৰ কলি ৰাখি মন আঁটি
ধুমুহাই বিধ্বস্ত কৰা এই ধৰণীত
আশা-আকাংক্ষাৰ দীপ আকৌ বাগিবে
নৱ প্ৰজন্মৰ নৱ নৱ কামত,
প্ৰতিজ্ঞাবদ্ধ হওঁ "মানুহ" হোৱাৰ,
মোহাচ্ছন্ন হৈ লেপেটাই সমাজক
দুৰ্নীতি ভ্ৰষ্টাচাৰৰ কৰাল গ্ৰাসত ॥



— শ্ৰী অমৰজিৎ ভূঞা
দ্বিতীয় ষাণ্মাসিক

# ক্ষণৰ কথা

সময় এক ডেউকা লগা পাখি
যাক কেতিয়াও ধৰি ৰাখিব নোৱাৰি ।
নোৱাৰি ইয়াক চকুৰে মনিব
কেৱল বুজা যায় ইয়াৰ গতিশীলতা
ই এক অচিন চিনাকী
জনা নজনা সকলোৰে সুখ দুখৰ লগৰী ।
বাগৰি যোৱা ই সুন্দৰ লেখনি
যাৰ কোনো স্থান নাই ই অস্থায়ী
নাযায় জুৰুৱায় লাগে বিৰক্তিকৰ ক্ষণবোৰ
সুখৰ বন্যা পলকতে যায় বাগৰি
জীৱন যুঁজত ই ৰণৰ থলী
জীৱন সামৰিলে ইয়াৰ মান কি
পলে পলে ইয়াৰ বিশ্বাসঘাটকতা সহিব নোৱাৰি
ই যে অসম্পূৰ্ণ পাখী অবিশ্বাসী
মায়াময় জীৱনত ইয়াৰ কৰ্ম নিৰলা
দুখৰ মাজতো সুখৰ স্বাচ্ছন্দ্য নিগৰায় ॥



— শ্ৰী প্ৰিয়ংকা গেইন
ষষ্ঠ ষাণ্মাসিক

# তেজে ধোৱা এখনি নৈ

তেজে ধোৱা নৈ
উন্মাদ উন্মত্ত দানৱৰ হিমশীতল মৃত্যুখেলাত
হাঁহাকাৰ জীৱন,
ভীত-বোবা চাৱনিত উতলা তেজ
বন্দুকৰ আগত নাচে জীৱন।
টকাৰ আগত পণ্য হয় মানৱতা,
কত দ'ল হৃদয়?
আত্মীয়ৰ তেজেৰে বাউলী দুহাত
স্তব্ধ জীৱন।
জুইৰ লেলিহান শিখাই চেলেকি যায়
বহু গাঁও,
সদ্য দগ্ধ ঘৰ-বাৰী পৰিৱৰ্তন হয় ৰঙা অঙঠালৈ
বুকুৰ ভিতৰতো থূপ খায় দগমগিয়া ৰঙা অঙঠা
ফংফঙাই জ্বলে বুকুৰ ভিতৰখন
বিয়পি পৰে হাজাৰ জনৰ বুকুলৈ।
অৰ্ধদগ্ধ মানুহৰ আৰ্তস্বৰত ওন্দোলে আকাশ,
অস্ত্ৰৰ ঝনঝননিত শাৰী পাতে
অংগচ্যুত মৃতদেহে।
ৰাস্তাৰ দাঁতিত পৰি ৰয় এটি বেৱাৰিশ,
হয়তু তাৰ জন্মদাত্ৰী পৰি আছে
মৃতদেহৰ কাষত!
সি চাই ৰয় দূৰৰ আকাশলৈ
কি দেখিছে বাৰু সি?
জুই আৰু ধোৱা? নে

এই কলা আকাশৰ দৰে
তোৰ আত্মাৰ বেদিস্যত ?
তোৰ বাবং মাতৃৰ স্মৃতি মনত থাকিবনে ?
থাকিবনে মনত মাতৃৰ মমতাময়ী স্পৰ্শৰ আদৰৰ ?
হয়তু দ্বিতীয় বেদিস্যতৰ লগত
হেৰাই যাব অকলে ।
মাথো কওঁ অন্তৰৰ দৰে
বুকুজুৰি কংকৰাই জ্বলি যায়
একুৰা জুই ।

— শ্ৰী বৌদ্ধধা কোঁৱৰ
চতুৰ্থ ষাণ্মাসিক

# অনুভৱেত শিৱসাগৰ ছোৱালী কলেজ


২০১২ চনৰ কোমোৱা এটা ৰৌদ্রোজ্জ্বল পুৱা
বহুতো আশা বুকুত বান্ধি,
ভৰি দিছিলো শিৱসাগৰ ছোৱালী কলেজত
সুদীৰ্ঘ তিনিটা বছৰ এতিয়া আধো
এখিনি সপোনত হৈ পৰিছে চকুৰ সন্মুখত ।
আপোনজনৰ চাকনৈয়াত বন্দী হোৱাৰ সময়তে
সময়ে যেন আজুৰি লৈ যাব বিচাৰিছে
এই সম্পৰ্কবোৰৰ মাজৰ দূৰত্ব ।
বিদায়, আশা আৰু বেদনাৰ এই মধুৰ প্ৰহৰত
সময় যেন বন্ধ্যা হৈ পৰিছে ।
চকুৰ আগতে ভাঁহি উঠিছে
তিনিটা বছৰৰ বিভিন্ন মুহূৰ্ত
সুখ- দুখৰ বহুতো ঘটনা
পাহৰিবতো নোৱাৰো কেতিয়াও,
তিতা- মিঠা বহুতো অভিজ্ঞতা
মানেই এজাক যৌৱনৰ অলিখিত ইতিহাস ।
জীৱন, জীৱিকা আৰু স্বপ্নৰ সন্ধানত
সকলো গুচি যায় ইয়াৰ পৰা
পুনৰ এজাক নতুন যৌৱন আহিব
সকলো সলনি হ'ব কিন্তু সলনি নহয়
মাটি, আকাশ, বতাহ . . . . .
এইবোৰে ৰাখি যাব সকলো হিচাপ সংগোপনে
সাৱঁটি ৰাখিব জাকে জাকে পাৰেঙৰ খিলখিলনি হাঁহিবোৰ,
চঞ্চল, চপল খোজবোৰ, গোপন আড্ডাৰ মধুৰ

গুঞ্জনবোৰ, আনন্দ বিষাদৰ ক্ষণবোৰ
যেনে কিছু কিছু মেসত থৈ যোৱা
বহু অলোমচাৰ সাঁচতো
এইবোৰৰ প্ৰতি বৈ যাব
অমূল্য হৈ পাছ ...
কাল অতিক্ৰম আগুৱাই যাওঁতে প্ৰতিমুহূৰ্তত
যিবোৰ থাকিব সাহস হৈ, প্ৰেৰণা হৈ
হৃদয়ৰ এক প্ৰশান্তিৰ প্ৰতীক হৈ ॥

— শ্ৰী বিশ্বজিৎ গোহাঁই
ষষ্ঠ ষাণ্মাসিক

## আৰ্তৰ প্ৰতীক্ষা

শীতৰ সেমেকা ৰাতি
নিৰ্জন নিস্তব্ধতাৰ মাজেৰে
ভাঁহি আহিছে কাৰোবাৰ
আৰ্তনাদ, কান্দোনৰ ধ্বনি,
আৰু মাও
ইফালে সিফালে চাও,
আন্ধাৰ মাথোঁ আন্ধাৰ
তথাপি আগবাঢ়ো দুৱাৰ খুলি
কিজানিবা বিচাৰি সন্ধান পাওঁ।
হঠাৎ শুনা পালোঁ কাৰোবাৰ কণ্ঠস্বৰ
উদ্ধাৰ কৰা, উদ্ধাৰ কৰা
মোক সহায় কৰা
মই ধমকি ৰলোঁ ....



হয়, সেইয়া কোনোবা অবলা নাৰীৰ আৰ্তনাদ
হয়তো অসহায়ৰ চিঞৰ মাগিছে আপোনজনক
মই আগবাঢ়ি গলো এখুজি দুখুজিকৈ
মনত সংশয়, চকুত উৎকণ্ঠা
কোন হ'বা সেইয়া ???
কিনকিনিয়া বৰষুণজাকে
দূৰৰি তিয়াই
প্ৰকৃতিৰ ৰূপ সানিছে
এনেতে দেখা পালো এগৰাকী নাৰী
গছৰ তলত ফটা শাৰীখন
টানি টানি শৰীৰ ঢাকিব খুজিছে
মানৱতাৰ কথা ভাবি
গাৰ এই চাদৰখনি
খুলি লৈ, দিলো হাতত তুলি
বহু অলপ আঁতৰি থকাত
সুধিলো মই
কোন তুমি ? কিয় এই অৱস্থা তোমাৰ ?
কঁপি থকা ওঁঠেৰে
এই চাদৰ মেৰাই
অস্ফুট স্বৰে ক'লে
মই নাৰী, একবিংশ শতিকাৰ
নিষ্পেষিতা, উপহাসিতা
মোৰ সকলো আছিল, আছে এতিয়াও
তথাপি মই আজি নিঃকিন অকলশৰীয়া
সময়ৰ কোবাল ঢৌৱে
লৈ গ'ল সকলো উটুৱাই ....

এতিয়া মই হলো পথৰ ভিখাৰী
হুকহুকাই কান্দি চকুলো মচি
শুই পৰিলো গছৰ তলত,
বেদনাসিক্ত মনেৰে
উত্তৰ খুজিলো পথেৰে
মনৰ কোনোবা গোপন কক্ষত
আনন্দৰ ৰেঙনিয়ে ঢৌ তুলি
কলে যেন মানৱতাৰ পৰিচায়ক তুমি
আকৌ পাহৰি মনৰ উল্লাসতে
গুণগুণাই গাই গলো
ভূপেনদাৰ সেই হৃদয় পৰশী গীত
মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাবে ।

---

— মিচ্ ৰাফিয়া বেগম
ষষ্ঠ ষাণ্মাসিক

---

# সপোন

সপোনৰ অন্তহীন দোমোজাত প্ৰৱিষ
বতাহত ভুনভুন গানৰ অবিৰত।
ভুপালীত আকাশৰ সেউজে সুৰভীৰ মাজত
কিবা যেন পোৱাৰ দুৰ্বাৰ বাসনা।

তোমাৰ ভাৱনিয়ে ওপকাপাধনক
উলোলাই আনি বৰষিব মোৰ বুকুৰ
মাজেৰে এটা মৰমৰ সপোনৰ কোলাত।
মেঘবোৰক যেন জোঁকাই- জোঁকাই গোটাব
লোক লৈ যাব আন্তৰেৰা মায়ালে।

মই আঁতুৰি পাৰ হাম চকুলোৰ সাগৰ
মৰিচিকা খেদি খেদি তোমাৰ পাইম।
শান্তি জুৰণি বালিময় মৰুভূমিত
সেয়া তোমাৰ দুখৰ মৰুভূমি।

তুমি মেঘৰ কণা হৈ বৰষিবা
দুখৰ মৰিচিকা লুপ্ত কৰিবলৈ
অন্তত ধৰি পাৰ হাম তোমাৰ
দুখৰ মৰুভূমি।
উহত স্বৰ্গ দেৱতাৰ সতে পাৰ কৰিম দিন
বৰুণ দেৱতাৰ লগত ওমলিম বৰ্ষাসিক্ত ৰাতি।
তোমাক দুহাত ধৰি আদৰিম
প্ৰস্ফুটিত আলোকেৰে দৌৰি দৌৰি

— শ্ৰী দেৱযানী দেৱী।
স্নাতক ষষ্ঠ ষাণ্মাসিক।

## গল্পৰ এচেৰেঙা

আৱেগ - অনুভূতি, আশা - সপোন
আৰু
হৃদয়ৰ আগিদাত
গল্পই প্ৰাণ পাই উঠে
কোনো
সৃষ্টিশীল মনৰ গৰাকীৰ
হাতৰ উমাল পৰশত ।

# জীৱন যন্ত্ৰণা

জীৱনৰ চল্লিছটা বসন্ত পাৰ কৰি অহা প্ৰণতিয়ে কোনো দিনেইতো ইমান অসহায় অনুভৱ কৰা নাই। কিন্তু আজি কি হৈছে বাৰু তাই! প্ৰণতিয়ে বাৰু ক'ৰবাত ভুল কৰিলে নেকি? ক'ত তাইৰতো নিজৰ ভুল হোৱা যেন নালাগে। তাই যিখিনি কৰিলে সকলোখিনিতো আনৰ বাবেই কৰিলে। নিজৰ কথা ভাবিবলৈ প্ৰণতিয়ে আহৰিয়েই নাপালে। কিন্তু তাইক কোনেও নুবুজিলে। সকলোৱে নিজৰ নিজৰ দিশলৈ প্ৰণতিক এৰি গুচি গ'ল।



এটা দুখীয়া পৰিয়ালৰ ছোৱালী আছিল প্ৰণতি। পঢ়া-শুনাত প্ৰণতি বৰ মেধাৱী আছিল। মেট্ৰিকটো পাছ কৰিয়েই শেষৰ আড়নত কোনোমতে টাইপিষ্টৰ চাকৰি এটা তাই যোগাৰ কৰি ল'লে। মাক দেউতাক, ভায়েক-ভনীয়েকৰ সৈতে তাইৰ পৰিয়ালটো। দেউতাকে দিন-হাজিৰা কৰিছিল। এদিন কামলৈ যাওঁতে দেউতাকক এখন গাড়ীয়ে খুন্দা মৰাত চিৰদিনৰ বাবে এখন ভৰি হেৰুৱাই লেংলেঙীয়া হৈছিল। তাৰোপৰি মাক আৰু দেউতাক দুয়ো উচ্চ ৰক্তচাপত ভুগিছিল। সেয়ে ঘৰখনৰ ডাঙৰ ছোৱালী হিচাপে প্ৰণতিৰেই সকলোখিনি দায়িত্ব ল'ব লগা হৈছিল। ১৭ বছৰ বয়সতে জীৱনলৈ অহা সংঘাতবোৰ হাঁহি হাঁহিয়েই আঁকোৱালি লৈছিল প্ৰণতিয়ে। তাই সদায় সপোন দেখিছিল তাইৰ ভায়েক-ভনীয়েক হঁত পঢ়ি-শুনি ভাল মানুহ হ'ব। ঘৰখনৰ অৱস্থা স্বচ্ছল হ'ব, মাক-দেউতাকৰ মুখবোৰ হাঁহি-আনন্দৰে ভৰি পৰিব আৰু প্ৰণতিয়ে? নাই

ইয়াতকৈ আৰু অভিজিৰ কি লাগিছে।

'বিধিয়ে দিলেও বিধাতাই নিদিয়ে' - বুলি এষাৰ কথা আছে। সেয়ে হয়তো অভিজিয়ে সুখৰ মুখ দেখাৰ আগতে ভগৱানে অভিজিৰ জীৱনলৈ নমাই আনিলে এজাক কলা ধুমুহা। ঘটনাটোৰ কথা মনত পৰিলে অভিজিৰ আজিও গাৰ নোম শিয়ঁৰি উঠে। সেইদিনা আছিল শনিবাৰ। অভিজিয়ে অফিচৰ পৰা আহি ভাত কেইটা খাই যোগাৰত আৰামকৈ বিচনাতে বাগৰ মাৰিছিল। সেইদিনা সিহঁতৰ গাঁওখনত উগ্ৰপন্থীৰ অস্থানত মিলিটেৰী বোৰে চাৰিওফালে পিয়াপি দি ফুৰিছিল। সময় তেতিয়া সন্ধিয়া ৬ মান বাজিছে। টিলমিলকৈ অভিজিৰ টোপনিয়েই আহিছিল। অকস্মাৎ ভনীয়েক অনুৰ চিঞৰৰ শুনি অভিজি বিচনাৰ পৰা উঠি অনুৰ কোঠালৈ দৌৰিছিল। অনুৰ কোঠাত দেখিছিল প্ৰায় দহটা মান মিলিটেৰীয়ে অনুক আগুৰি আছে। দুটামানে অনুৰ কাপোৰত ধৰি টানিছে। ১৪ বছৰীয়া মৰমৰ ভনীয়েকক বচাবৰ বাবে অভিজিয়ে দৌৰি গৈছিল অনুৰ ওচৰলৈ। মাক-দেউতাকেও সিহঁতৰ চিঞৰ শুনি ওচৰ পাইছিলহি। দুয়ো সিহঁতক ৰক্ষা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। কিন্তু মিলিটেৰী দুটামানে বাপেক-মাক দুয়োকে প্ৰহাৰ কৰিছিল। অভিজিয়ে ভনীয়েকককো বচাব নোৱাৰিলেই আনকি নিজকো নোৱাৰিলে। দুইজনী বায়েক ভনীয়েক মাক-দেউতাকৰ সন্মুখতে ধৰ্ষিতা হল। অচেতন হৈ পৰা অভিজিয়ে জ্ঞান ঘুৰাই পাই দেখিবলৈ পাইছিল কান্দি থকা মাক দেউতাক আৰু এজোৰা তেজত উলংগ উলংগ হৈ পৰি থকা অনুক। অভিজিয়ে পাগলৰ

দৰে তনুক মাতি মাতিও মাত নোপোৱাই বুজি উঠিছিল কি হৈ গ'ল। তনু শুই প'ল দেশৰ বাহুবলেও সকলোৰে মুখ বিকটাই। কিন্তু বাচি থাকিল প্ৰণতি।

শান্তি বাহিনীৰ দ্বাৰা ধৰ্ষিতা হোৱা প্ৰণতিয়ে সমাজৰ উপেক্ষা পাওনাৰ মাজতো সাহসেৰে মূৰ দাঙি উঠিল। কিন্তু তেওঁৰ মাক-দেউতাকে ঘটি যোৱা ঘটনাটোত অতি মৰ্মাহত হৈ পৰিল। উচ্চ ৰক্তচাপত ভোগা মাক-দেউতাকে কেইদিন মানৰ পাছতে অমা-পিতাকে প্ৰণতিক আৰু ভায়েক অংশুক এৰি গুচি গ'ল। হাস্পাতালত থকা অংশু ঘৰলৈ অৰ্থাৎ ভায়েক প্ৰণতিৰ কাষলৈ ঘূৰি আহিল। প্ৰণতিয়ে তাকে বুকুত বান্ধি জীয়াই থকাৰ প্ৰেৰণা পাইছিল। কিন্তু নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস! এটা এটাকৈ সকলোকে প্ৰণতিৰ বুকুৰ মাজৰ পৰা কাঢ়ি নিবলৈ পালেহে যেন নিয়তিয়ে শান্তি পাব। উগ্ৰপন্থীক বিচাৰি নৰপিশাচ যেন মিলিটেৰী এদিন আকৌ প্ৰণতিহঁতৰ গাঁৱলৈ আহিল। গাঁৱৰ বহুকেইটা ল'ৰাৰ লগতে প্ৰণতিৰ ভায়েক অংশুমানকো মৃত্যু উপহাৰ দি মিলিটেৰী বাহিনী গুচি গ'ল।


তথাপিতো প্ৰণতি ভাগি নপৰিল। এটা এটাকৈ আহি থকা সংঘাত বোৰে তেওঁক সাহসী কৰি তুলিলে। দুখবোৰক প্ৰত্যাহ্বান হিচাপে লৈ তাই জীয়াই থাকিল। তাই মৰিব নোৱাৰে। তাইৰ দৰে হাজাৰ জনী ছোৱালীক সাহস দিবৰ বাবেই তাই জীয়াই থাকিব লাগিব। কিন্তু আজি কিয় বাৰু প্ৰণতি ইমানকৈ ভাগি পৰিছে? জীৱনত সকলোলৈকে এনে কিছুমান মুহূৰ্ত আহে নেকি বাৰু যিয়ে সকলোকে অসহায় কৰিব পাৰে। বহু দিনৰ মূৰত প্ৰণতিৰ ওচৰলৈ কালি ঋতুৰাজ আহিছিল।

ধৰ্ষিতা প্ৰতীতিক যি ঋতুৰাজে উপেক্ষা কৰি আঁতৰি গৈছিল। অকালতে পত্নীক হেৰুওৱা ঋতুৰাজে লগত এটা তিনি বছৰীয়া সন্তান লৈ প্ৰতীতিৰ ওচৰত নতুন জীৱন বিচাৰি আহিছিল। এই তিনি বছৰীয়া সন্তানটো মানুহ কৰাৰ দায়িত্ব এতিয়া ঋতুৰাজে প্ৰতীতিক দিব বিচাৰে আৰু দিব খোজে প্ৰতীতিক পত্নীৰ মৰ্যাদা।

ঋতুৰাজৰ প্ৰস্তাৱটো প্ৰতীতিয়ে ভাবি চাইছে। দুকুৰি বছৰীয়া প্ৰতীতিৰ ন-কইনা হোৱাৰ সময় আছে জানো? আৰু ঋতুৰাজ? যিয়ে এদিন প্ৰতীতিক ঘিণ কৰি আঁতৰি গৈছিল, সেই ঋতুৰাজ আকৌ ঘূৰি আহিছে তাইৰ ওচৰলৈ। সেই ঋতুৰাজক পতিৰূপে বৰণ কৰি তাই বিবেকক অপমান কৰিব পাৰিব জানো? প্ৰথম চিনাকীতে প্ৰতীতিৰ কাষত থাকি যোৱা আৰু নিশ্চিত মনেৰে প্ৰতীতিক সাৱটি ধৰি টোপনি যোৱা ঋতুৰাজৰ সন্তানটো? কাক এৰি কাক লব, কি কৰিব প্ৰতীতিয়ে ভাবি পোৱা নাই। হঠাৎ তাই সিদ্ধান্ত লৈ পেলালে ঋতুৰাজৰ সন্তানটো তাই ডাঙৰ কৰিব, মাতৃত্বৰ মৰমেৰে তাৰ জীৱন ভৰাই পেলাব। কাৰণ তাইও এগৰাকী নাৰী, জীয়াই থাকিবলৈকে কোনোবা সাৰথি লাগে, প্ৰেৰণা লাগে। তাইৰ মনটো এতিয়াহে ফৰকাল লাগিছে। তেতিয়া পূব আকাশত ৰাঙলী সুৰুযে ভুমুকি মাৰিছেহি। প্ৰতীতিৰ মুখখনো এক অনাবিল জ্যোতিৰে উদ্ভাসিত হৈ উঠিছে।

— শ্ৰীমতী শিল্পী বুঢ়াগোহাঁই
ষষ্ঠ ষাণ্মাসিক —

# প্ৰাপ্তিৰ আনন্দ



সন্ধিয়া ৬'৩০ মিনিট হৈছে....। শীত কালৰ এটি ওমাল পৰিছিল। গাঁওখনত যিবোৰ মানুহৰ ঘৰত বিজুলী বাতিৰ ব্যৱস্থা আছে প্ৰত্যেকৰ ঘৰবোৰ পোহৰ হৈ উঠিছে। যিবোৰৰ সেইৰূপ পোহৰ লাভ কৰাৰ সামৰ্থ নাই, সেই ঘৰবোৰৰ বেৰৰ জলঙাৰে খিমিক-খামাক কেৰাচিনৰ চাকিৰ পোহৰ বিয়পি পৰিছে। আকাশখন মুকলি, জোন-তৰা তৰাবোৰ জিঁচিৰিতি হৈ আছে। সেই তৰাবোৰাতে বিজুলীৰ পোহৰে গাঁৱৰ ধূলিয়ৰী বাটটোৱে আপবাদিছে....। যে যে এই গাঁৱৰ আইমেৰী স্কুলখনৰ ওচৰত ৰৈ গ'ল। স্কুলৰ ফুলনিখনত সুন্দৰকৈ ফুলি থকা ফুলবোৰত এজাক জোনাকীয়ে পোহৰৰ মেলা পাতিছে। সৌন্দৰ্য উপভোগ কৰি থাকোতেই আইৰ মনটোত আইতাকে কোৱা অতীতৰ কিছুমান কথাই জোঁ ভুলি আছে।

প্ৰায় ২০/২৫ বছৰৰ পুৰণি কথা সেইবোৰ...। বিজুলীহঁতে জন্মৰ কেইবাবছৰ আগৰ কথা। বিজুলীৰ দেউতাকহঁত তেতিয়া একেটাইঁত পজগজীয়া ডেকা। সেই সময়ত তেওঁলোকৰ ঘৰৰ অৱস্থা একেবাৰে শোচনীয় আছিল। বিজুলীৰ ককাক আইতাক আৰু তেওঁলোকৰ ন-জনীয়া সন্তান লৈ ঘৰখনৰ অৱস্থাটো কোনো ৰকমে চলি থাকিব পৰা আছিল। ইকৰাৰ বেৰৰ মাজেৰে আকাশৰ জোন-তৰাৰ পোহৰ ঘৰৰ ভিতৰত পৰিছিল।

ককাৰ বৰ কঠোৰ আছিল। ঘৰখনৰ একচ্ছত্ৰী সম্ৰাট ককাকৰ আগত এটা অক্ষৰেও মুখ খুলি কথা ক'ব পৰা নাছিল। কিবা দৰকাৰী কথা হ'লে মাক বা আনৰ সহায় লৈছিল। মুঠতে দেউতাকৰ এষাৰ মাতত ঘৰৰ আটাইকেইটা ল'ৰা ছোৱালীৰ পেটতে হাত দি লুকুৱাৰ অৱস্থা হৈছিল। কিমান কষ্টকৰ আছিল সেই দিনবোৰ। দেউতাকে বিজুলীক মাজে মাজে সেই দিনবোৰৰ কথা কয়। তেওঁলোকে কেনেকৈ এটা চোলা, এটা পেন্ট অথবা শীতৰ ঠেৰেঙা লগা জাৰত এখন কাপোৰৰ বাবে হাহাকাৰ কৰিছিল। এই কথাবোৰ এতিয়া সাধুকথাৰ দৰে লাগে। কিন্তু এইবোৰ বিজুলীৰ দেউতাকহঁতৰ বাবে চিৰসত্য আছিল। এনেকুৱা জটিল দিনবোৰত আইতাকৰ ধৈৰ্য আৰু সহনশীল গুণটোক শ্ৰদ্ধা কৰিব লাগিব। তেওঁ যদি ধান খেৰৰ জুইত ভাত ৰান্ধি খুৱাব নোৱাৰিলেহেঁতেন, দিনৰ দিনটো পেটত পাঁচি টেকেলি কাটি কৰি টিকটিকীয়া ৰ'দত পিঠি পুৰুৱাই পথাৰত ভুঁই ৰুবলৈ নগ'লহেঁতেন, তেতিয়া হয়তো কেইবাটাও সন্তানৰ ভোকতেই প্ৰাণ গ'লহেঁতেন। সংৰক্ষণশীল সমাজত কিমান অন্ধ সংস্কাৰৰ বলি হ'ব লগা হ'ল বিজুলীৰ আইতাক। নিজৰ পিতৃ আইমেৰী স্কুলৰ প্ৰধান শিক্ষক হ'লেও আইতাকে কোনোদিনে স্কুলৰ পাদুলিটো গচকি নাপালে। তেতিয়াৰ দিনত ছোৱালীবোৰক পঢ়া-শুনা কৰাতকৈ ঘৰৰ কাম-বন শিকাতহে গুৰুত্ব দিছিল। শান্তি হোৱাৰ পিছত এজনী মাতৃৰে ছোৱালীক কিদৰে নীতি-নিয়মৰ

মাজত বন্দী কৰি থয়, শুনিলেই গা-শিঁয়ৰি উঠে। বিবাহৰ পাছতো বহুত কষ্ট সহ্য কৰিলে আইতাকে। কিদৰে পথাৰলৈ ৰাতিপুৱাই পাঁইতা ভাত এসাঁজ খাই ওলাই যায়, দিন দুপৰত বেলি মূৰৰ ওপৰত পাৰাৰ পৰা লাহিওৱাৰ লৈকে ঘৰৰ ফালে চাই চাই হুমুনিয়াহ পেলালেও কোনেও চাহ বা ভাত একণমান দিব নাযায় ইত্যাদি ইত্যাদি....। সেইপৰাকী আইতাকে এইবোৰ কষ্ট সহ্য কৰিও নিজৰ স্বামীক ইমান শ্ৰদ্ধা আৰু ভক্তি কৰে। তাকে দেখি বিজুলী আচৰিত হয়। তেওঁ এষাৰ কথাই কয় "যিমানেই নহওক বুঢ়াই মোক আজিলৈকে একো এষাৰ টানকৈ নকলে।" আইতাকৰ পতিভক্তি দেখিলে বিজুলীৰ মনত অনেক ভাবৰ উদয় হয়। কিয়নো ইমান কঠোৰ এজন মানুহৰ পত্নীৰ এই ভাষ্য আৰু বিশ্বাস কৰিবলৈ টান হয়। কিন্তু গাঁওখনৰ বছৰেকীয়া ফুটবল খেলত ভাইৰ ককাকৰ নামত আগবঢ়োৱা ট্ৰফীটোৱে সকলো মনৰ ভাব ধূলিসাৎ কৰি দিলে। কাৰণ, দেউতাক হঁতে ইমান ভয় কৰাৰ সত্বেও দেউতাকৰ নামত বহুত কিবাকিবি কৰাৰ চেষ্টা কৰে। আইতাকৰো মনটো চাগে ভৰি পৰে।

আজিও আইতাকে ককাকক সুঁৱৰি হুমুনিয়াহ কাঢ়ে। আকাশলৈ চাই মূৰে-কপালে হাত দি বহি থকা আইতাকৰ নিৰৱ মুহূৰ্তবোৰ বিজুলীয়ে মনে মনে লক্ষ্য কৰে। তেওঁৰো মন যায় চাগে, দুয়োকহঁতৰ এই অৱস্থাটো দুয়োজনেই একেলগে উপভোগ কৰিবলৈ। দুয়োকহঁতৰ সফলতাৰ কিছু ভাগ নিজৰ


ভাৰতীয় দিবলৈ অনেক দৰবাৰী পাহাৰীয়ক বিদায়ে। কিন্তু আজিও শেষ নাই...। এটা দুখ লাগৰ হ'ল, জোঁক নিয়তিয়ে নিয়াৰ। চকুৰ কোণেৰে বাগৰি আহি ওপজে চকুলোৰ টোপালবোৰে বিজুলীক অভিষিক্ত কৰিলে। নৱাগতিৰে চকুপানী মচি তাই আগুৱাই গ'ল, আৰু কেইদিনমানৰ পিছতে মুকলি কৰিবলৈ লোৱা ককাকৰ দৌঁৰধনি তোৰণখনৰ ওচৰলৈ। "৺ মালচোপা দাস আৰু জোনাকী দাসৰ তোৰণ" নামটো দেখি আনন্দত তাইৰ বুক ভৰি আহি গ'ল। কাষৰ আৰু দেৱালখনত লেখা সিঁহতৰ দেউতাক আৰু খুড়াকহঁতৰ নামকেইটাও অচিনাকী যেন লাগিল। এক বুজাব নোৱাৰা আবেগে আলোড়িত মনটোক থান-থিত লগাই তাই ওচৰৰ ঘৰৰ প্ৰথম খোজটো পেলালে ঘৰৰ অভিমুখে। আজিৰ এটি মৃদু সুৰে বিজুলীৰ হৃদয় ভৰি গ'ল।

— বৰ্ণালী দাস
৪ৰ্থ ষাণ্মাসিক

* সকলো ধৰ্মৰ মূল কথা এটাই, যেইটো হৈছে, মানুহক মানুহ বুলি ভাবা।

— ৰাধাকৃষ্ণন।

# হৃদয়ৰ গোপন কোঠাত



খিৰিকিৰ ফাঁকেৰে পুৱাৰ বেলিটিয়ে তাইলৈ চাই হাঁহি মাৰিলে। কিন্তু এই চকু চাট মৰা সূৰ্যৰ ৰশ্মি তাইৰ একেবাৰে ভাল নালাগে। তাই গাৰ কাপোৰখন মূৰৰ লৈকে টানি ললে। "ইমু... অ' ইমু, উঠ সোনকালে, ক'লেজলৈ নাযাৱ নেকি? ছয় বাজিলেই।" অলপ আগতে জনাই থৈ যোৱা মাকে তাইক আকৌ একাৰ সময়ৰ কথা মনত পেলাই দিলে। কিন্তু তাইৰ উঠিবলৈ একেবাৰে মন যোৱা নাই। এই শীতৰ বতৰত গাত কাপোৰ লৈ শোৱাৰ মজা তাইতকে আৰু কোনে ভালদৰে বুজিব। কোনেনো এই স্কুল-কলেজবোৰ উলিয়ালে তাইৰ ভাবিলেই খং উঠে। কেৱল পঢ়া আৰু পঢ়া। এই যান্ত্ৰিক জগতখনত থাকি মানুহবোৰ একেবাৰে যন্ত্ৰৰ দৰে হৈ পৰিছে। তাই মেৰো মেলো কৰি উঠি মুখত [illegible] লৈ বাৰাণ্ডাৰ ফালে ওলাই গ'ল। ইমু এইবাৰ H.S. 1st year ৰ ছাত্ৰী। আচল নাম ইমন গগৈ। ঘৰৰ সকলোৱে মৰমতে 'ইমু' বুলি মাতে। যদিও তাই কলেজৰ ছাত্ৰী তথাপি তাইৰ মনটো সৰু ছোৱালীৰ দৰে। মাক, দেউতাক, দাদাক দুটাৰ লৈতে এক সুখী পৰিয়াল। দেউতাকে তাইক বৰ মৰম কৰে। সৰুতে ককায়েক দুটাৰ লগত লাগি থৈহ পতাৰ দৰে, অভিমান কৰাৰ দৰে এতিয়াও থৈহ পাতে, খং কৰে। তাই অলপ জেদীও, তথাপি তাই ঘৰৰ আটাইৰে অতি মৰমৰ।

আইৰ কলেজ যোৱা তিনি মাহে হ'বৰ হ'ল। কিন্তু আইৰ লগত কৰি আলাপো হোৱা নাছিলি। অৱশ্যে আৰু ইতিমধ্যে লগৰ কেইজনীৰ লগত আইৰ কথা পাতি, হাঁহি ধেমালি কৰি বৰ ভাল লাগে। ইমনৰ দেউতাক চৰকাৰী চাকৰিয়াল। মাক House wife। ককায়েক দুটায়ো গুৱাহাটীৰ কলেজত পঢ়ি আছে।

"ইস, তই এনেদৰে জোপোকা মাৰি কি কৰি আছ। যা সোনকালে মুখ ধুই টেবুলৰ আগত বহগৈ।" ইমনৰ ইমানেই মৰ টোপনি যে আই কেতিয়াবা টোপনিয়াই টোপনিয়াই বাৰাণ্ডাৰ চিৰিত বহি লাহি পৰেই নাপালে। মাকৰ ধমকতহে সাৰ পাই পালে। আই লৰালৰিকৈ মুখ ধুই টেবুলৰ আগত বহি কলেজত কৰিব দিয়া অংশখিনি টোপনিয়াই লাগে। আইৰ এটা বৰ বেয়া অভ্যাস আছে। আই সময়ৰ কাম কেতিয়াও সময়ত নকৰে। কালি কলেজৰ Home work খিনি ৰাতি কেইটামান কৰি এলাহ লাগাত বাকীখিনি কৰিম বুলি সামৰি থলে। আৰু এতিয়া এটা অংশৰো উত্তৰ বিচাৰি নোপোৱাত মূৰে কপালে হাত দি বহি আছে। তেনেতে আই ঘড়ীটোলৈ চাই পঠিয়ালে। ৭ বাজিবৰ হ'ল। আইৰ আনন্দত মন নাচি উঠিল। কাৰণ আইৰ ডাঙৰ ককায়েক গুৱাহাটীৰ পৰা আহি পোৱাৰহি কথা।

মুহূৰ্ততে গেট খোলাৰ শব্দ শুনি আই চকীৰ পৰা উঠি বাহিৰলৈ লৰ দিলে। আ সেয়া আইৰ ডাঙৰ দা। আই মাক দেউতাকক চিঞৰিবলৈ ধৰিলে। আৰু ককায়েকৰ হাতৰ

পাৰা বেগটো লৈ আনিলে। আই বেগটো খুলি আনি
ককায়েকক সহায়ৰ হাত আগবঢ়োৱা নাই। কেৱল
আই এক লোকৰ আগ্ৰহতে বেগটো খুলি আনিছে।
আৰু লৰালৰিকৈ বেগটো আইৰ নিজৰ কোঠালৈ লৈ
গৈ কি কি আনিছে এইখিনিৰ পাৰা চাব খুজিলে।
" বাঃ এইবাৰ মই কি পাওঁ বস্তুবোৰে " আই
মনতে ভাবিলে আৰু আইৰ পছন্দৰ টুপটো লৈ লি
ললে। আৰু ঘৰৰ সকলোকে দেখুৱাব লাগিল।
আইৰ একে কথা গৈছি ককায়েকে আইক জোকালে
ধৰিলে, " অই, তই যে এতিয়াও একেবাৰে সৰু
ছোৱালীৰ দৰে কৰি আছ হা, তই এতিয়া কলেজ
পালিগৈ আৰু দেখোন অ'। আৰু কেইবছৰমানৰ
পাছতে তোক এইখন ঘৰৰ পৰা উলিয়াই দিবই
লাগিব।" আইয়ো উত্তৰ দি কলে, " কাৰ এনে
সাহ যে মোক এইখন ঘৰৰ পৰা উলিয়াই দিব।
মইটো নমৰালৈকে এইখন ঘৰতে থাকিম। মৰাৰ
পাছত ভূতহৈ মোক উলিয়াই দিয়া যি কৰ কৰিবি।"
আইক মাকে ধমক দিলে, " এইজনী, ছোৱালীৰ
পাৰা কি কথাবোৰ আছে। যা পা খো গৈ কলেজলৈ
ওলাবৰ হ'লেই।" আই পা-পা দুই কলেজলৈ
ওলাই ককায়েকক কলেজত থবৰ বাবে জোৰ
কৰিলে। মাকে বাধা দিছিল। তৌপানি খাতি হলেও
ককায়েকক আইক কলেজত থলেগৈ। যিমানে যি
নহওঁক আই ককায়েকৰ একমাত্ৰ ভনীয়েক।
ককায়েক এইবাৰ পূজাৰ বন্ধৰ বাবে ১০ দিনৰ
বাবে আহিছে। সেই ককায়েকো আহি পালেহি।
ঘৰখনত যে কি এক আনন্দৰ পৰিবেশ সৃষ্টি হৈছে।

দহ দিন কেতিয়াবা পাৰ হৈ গ'ল গমেই নাপালে। ককায়েকহঁতো গুচি গ'ল। তেঁওলোক যোৱাৰ পাছত ঘৰখন একেবাৰে খালি হৈ পৰিল। তাইৰ খুব বেয়া লাগে ককায়েকহঁত গুচি গলে। যদিও তাই মুখেৰে একো কব নোৱাৰে তথাপি তাই ককায়েকহঁতক বৰ ভাল পায়। এতিয়া ঘৰখনত তাই, মাক আৰু দেউতাক। দেউতাকো নিজৰ কামতে ব্যস্ত, মাকো পাকঘৰ আৰু ঘৰৰ বাহিৰে ভিতৰে ব্যস্ত হৈ থাকে। তাই বৰ অকলশৰীয়া অনুভৱ কৰে। এটা বছৰ কেনেকৈনো পাৰ হৈ গ'ল গমেই নাপালে। তাই এইবাৰ H.S. 2nd Year ৰ ছাত্ৰী। মাক দেউতাকেও তাইক পঢ়া-শুনাত জোৰ দিবলৈ ধৰিলে। কাৰণ এইবাৰ তাই Final Year ৰ ছাত্ৰী। আগৰ বাৰ যি হ'ল হ'ল এইবাৰ তাই যেন ভালদৰে পাছ কৰে সেইয়াই তাইৰ ভগৱানৰ ওচৰত সৰল প্ৰাৰ্থনা। মাক দেউতাকেও তাইক লৈ বহুত আশা কৰিছে। তাই যেন ভালদৰে পাছ কৰি নিজৰ ভৰিৰ ওপৰত নিজেই থিয় হয়।

এদিন ঈমন কলেজৰ পৰা আহি থাকোতে তাক দেখা পালে। তাক হঠাৎ এনেদৰে দেখা পাব বুলি ভবাই নাছিলে। বহু দিন তাক তাই দেখা নাছিল। আজি হঠাৎ দেখা পাই তাইৰ বুকুত এক বিষাদই খুচ আনি দিলে। তাই নিজেও নাজানে সেইয়াবা কিহৰ এক বিষ। ৰাতি তাই বিচনাত বাগৰি আগৰ কিছুমান কথা মনত পেলাবলৈ ধৰিলে। তেতিয়া তাই ক্লাছ নাইনৰ ছাত্ৰী আছিল। তিনি মাহ ধৰিয়ে যে এনেকুৱা

এটা অফাৰ আগবঢ়োৱাৰ তাইৰ কল্পনাৰো বাহিৰৰ আছিল। ৰবি যদিও তাইতকৈ দুটা মান বছৰ ডাঙৰ তথাপি অঁয়াত দুয়ো সময়তে পঢ়া শুনা বন্ধু আছিল। দুয়োটাই সৰুতে খুব কাজিয়া কৰিছিল, তাৰ আনফালে পিছতে মিলো হৈছিল। আৰু সেই ৰবিয়ে তাইক একেবাৰে এটা অফাৰ আগবঢ়াইছে। সেইয়া আচলতে তাৰ দোষ নহয়। বয়সৰ দোষ। তেনে বয়সত সকলোৱে মেক্ৰাজ তেনে কোৱাটো স্বাভাৱিক। ৰবিয়ে যেতিয়া তাইক ভালপোৱাৰ অফাৰ দিলে তাই একেবাৰে না কৰিলে। সেইয়া তাইৰ খং নে অভিমান তাই নিজেই ক'ব নোৱাৰিলে। বহুতবাৰ ৰবিয়ে তাইক ভালপোৱাৰ অফাৰ দিছিল কিন্তু বাৰে বাৰে তাই সেই অফাৰ প্ৰত্যাখ্যান কৰিছিল। কাৰণ যেতিয়ালৈকে তাইক বহুত ল'ৰাই ভালপোৱাৰ অফাৰ আগবঢ়াইছে, গতিকে তাই হয়তো অলপ অহংকাৰী হৈ পৰিছিল। এইটো নহয় যে ৰবি বেয়া ল'ৰা। ৰবি বহুত ভাল ল'ৰা। দেখাত যিমানে সি ধুনীয়া তাৰ স্বভাৱো বৰ ঠাণ্ডা আৰু নম্ৰ। পঢ়াতো সি তাইৰ পৰা আগৰি গলা। দুয়োটাৰ মাজৰ বন্ধুত্বও লাহে লাহে নোহোৱা হৈ পৰিল। সি ক'ত থাকে কি কৰে তাই একোকে নাজানে। ক'ব নোৱাৰাকৈয়ে হয়তো তাই তাৰ অন্তৰ অনুভৱ কৰিব বিচাৰে। যেতিয়া সি তাইক ইমানকৈ Request কৰিছিল তেতিয়া তাই তাক পাত্তাই নিদিলে আৰু এতিয়া তাই তাৰ কথাকে ভাবি থকা হৈছে, কিন্তু তাইৰ এনে কিয় হৈছে সেইটো বুজি নোপোৱাকৈকে তাইৰ বহুত দেৰি হৈ গল। হঠাৎ তাইক মাকে ভাত খাবলৈ মাতিলে

তাইৰ অস্থিত ঘূৰি আহিল। যেতিয়া পাতত বহিলে যদিও তাই ৰাতিখিনি এনেই খিৰিকি খিদখিদি থাকিল। আৰু কামিখিনি খাবলৈ বেয়া বুলি মাকক মিছা মাতি খোৱাৰ পাতৰ পৰা উঠি গ'ল। মাক-দেউতাকে তাইৰ এনে আচৰণ বুজিব নোৱাৰিলে। অসমৰ টি.ভি.ৰ চিৰিয়েল বুলিলে পাগল হোৱা জোৱালীজনী আজি ভাগৰ লাগিছে বুলি কৈ বিছনাত বাগৰ দিলে। ৰাতিপুৱাৰ পৰা কলেজ, টিউচন কৰি জোৱালীজনীৰ ক্লাচকেয়ে ভাগৰ লাগিছে বুলি মাকহঁতেও বিশ্বাস কৰি ললে।

ৰাতি এক বাজিবৰ হ'ল। কিন্তু তাইৰ চকুত টোপনি নাই। তাইৰ কি হৈছে তাই নিজেও বুজিব নোৱাৰিলে। কেৱল তাৰ ছবিখনেই চকুৰ আগত ভাহি থাকিল। কেইদিনমানৰ আগৰ পৰা মাজে মাজে তাইৰ বুকুত এক বিষ অনুভৱ কৰিব ধৰিছে। আগতে অলপ অচৰপ বিষাইছিল কিন্তু তাই বিষটোক সিমান গুৰুত্ব দিয়া নাছিল আৰু ঘৰৰ মানুহকো জনোৱা নাছিল। পৰীক্ষা ওচৰ চপাত তাই ভালদৰে পঢ়া-শুনা কৰি পৰীক্ষা দিলে। ভালেই হোৱা যেন লাগিলে তাইৰ পৰীক্ষা। পৰীক্ষা শেষ হোৱাত তাই Computer Class কৰিবলৈ ললে। এদিন হঠাতে তাইৰ ক্লাছতে গা বেয়া লগাত ঘৰলৈ গৈ আছিল। মাজ বাটতে তাই মূৰ ঘূৰাই গাড়ীৰ আগতে পৰিল। চকু মেলি দেখে কাষত তাইৰ মাক আৰু দেউতাক। লগত তাইৰ আৰু নাৰ্চ কেইজনীমান। তেতিয়াহে তাই


গম পালে তাই যে এতিয়া হস্পিতেলত আছে। ডাক্তৰে দেউতাকক অৱসৰকালে মাতি নি তাইৰ বেমাৰটোৰ কথা জনালে। তাইৰ হাৰ্টৰ বেমাৰ হৈছে। যদি তাই আৰু বেছি মানসিক কষ্ট পায় বা চিন্তা কৰে তাইৰ বেমাৰটো আৰু বেছি চিৰিয়াছ হৈ পৰিব। ডাক্তৰে বেমাৰটোৰ কথা তাই নজনাটো বিচাৰিছিল, যদিও তাই কথাষাৰ গম পালে। কিন্তু মাক দেউতাকৰ আগত একো নজনাৰ দৰে থাকিল। ককায়েকহঁতো তাইৰ খবৰ পায় ঘৰলৈ আহিল। ককায়েকৰ লগত কথা-বতৰা পাতি তাই আগতকৈ ভাল বোললৈ আহিল। এদিন ককায়েকৰ লগত বজাৰলৈ যাওঁতে ৰবি আৰু কোনোবা ছোৱালী এজনীক একেলগে দেখা পালে। বজাৰৰ পৰা উভতি আহিয়ে তাই ৰুমত সোমাই হুকহুকাই কান্দিলে। তাইৰ চকুৰে ধাৰাসাৰে চকুলো নিগৰিছিলে। যিটো সময়ত সি প্ৰস্তাৱ আগবঢ়াইছিল তেতিয়াটো তাই নাকচ কৰিছিলে। এতিয়া এই ভালপোৱাৰ প্ৰয়োজন কি? লাভে কি এই ভালপোৱাৰ? তাই তাক পাহৰাৰ কথা ভাবিলে। যদিও তাই পাহৰাৰ কথা ভাবিলে কিন্তু নোৱাৰিলে পাহৰিব। দিনে দিনে তাইৰ স্বাস্থ্য বেয়ালৈহে আহিছে। আগৰ দৰে তাই মাক দেউতাক, ককায়েক হঁতৰ লগত কথা বতৰা পাতা কমাবলৈ ধৰিলে। কোনেও তাইৰ পৰা একো কথা উলিয়াব নোৱাৰিলে। আয়ে ৰুমত সোমাই তাই কিবা-কিবি লিখিব ধৰিলে। এদিন তাই তেনেকৈ ডায়েৰীত কিবা লিখি থাকোঁতে হঠাৎ তাইৰ বুকুৰ বিষটো বাঢ়ি আহিবলৈ ধৰে আৰু তাই মূৰটো টেবুলত

সৈ দিলে আৰু প্ৰতিদিনৰ দৰে বস্তাটো পকাত পৰি গ'ল। তাই খাই ভালপায় বাবেই কৰবীয়েকে তাৰ ভালপোৱা পাকৰী লৈ আনিছিল। কৰবীলৈ আৰু জেলফলে দূৰ গোলাই গুৰু প্ৰথম চেষ্টা তাইক প্ৰাচমনত বীৰ মাতাৰ আয়েবীথন তলত পৰিল। কৰবীয়েকে ভয়তে মাক দেউতাকক মাতিলে আৰু চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তাইলৈ আনা গৰম গৰম পাকৰী আয়েবীথনৰ ওপৰতে সিঁচৰিত হৈ পৰিল আৰু আয়েবীৰ পাতত কিবা-কিবি লিখিলা ভাবৰে লেখা —

" হৈঁপাহৰ পলিচাত
আঁকিছো তোমাৰে ছবি
হৃদয়ৰ প্ৰকোষ্ঠত
আঁকিছো তোমালৈ বুলি
এখনক ঘূৰি চোৱা
মোৰো তোমালৈ মোৰ
আঁখি মোৱা প্ৰথমবোৰ ॥"

— প্ৰিয়ংকা মেইন।
ষষ্ঠ ষাণ্মাসিক

# এবুকু স্মৃতি লৈ



মণি অ' মণি কি কৰিছা ? চাওঁ এইপিনে আহাচোন মাকৰ মাত শুনি মণি আহি মাকৰ ওচৰ পালেহি। মাকে ক'লে দেউতা আৰু মই এইফালে ওলাই যাওঁ, তুমি ভণ্টীৰ লগতে অলপমান সময় থাকিবাচোন আমি সোনকালে আহিম। মণিয়ে আবেলি সময়ত কিতাপ এখন হাতত লৈ আমফালে বহি পঢ়ি আছিল। কিতাপ পঢ়াৰ প্ৰতি তাইৰ বৰ আগ্ৰহ। কিতাপখনত তাই ইমান নিমগ্ন হৈ আছিল যে প্ৰথমতে মাকৰ মাত তাই শুনাই নাছিল। মণি বৰ্তমান নৱম শ্ৰেণীৰ ছাত্ৰী। মাক দেউতাকৰ আপোন তাই অসাধাৰণ ভাল ডাঙৰ ছোৱালী। তাইৰে সেই উদ্দেশ্য পূৰ্ণ কৰিবলৈ অশেষ যত্ন কৰিছে। তাই কিবা এখন ভাল কিতাপ পালে সেইখন শেষ নোহোৱাকৈ এৰিলেতে আন বস্তুৰাব নোৱাৰে। মাকহঁতে ওলাই যোৱা পিছত চাৰি বছৰীয়া ভায়েক মৃন্ময়ৰ লগত মণি আমফালে বহি আছিল। আজি তাইৰ বান্ধৱী পৰীৰ জন্মদিন। পৰী যে তাইৰ কিমান মৰমৰ বান্ধৱী, শ্ৰেণীত পঢ়া সকলো পাঠ তাই পৰীৰ লগত আলোচনা কৰে। আজি তাই বান্ধৱীৰ জন্মদিনলৈ যাবলৈ কিমান যে হেঁপাহ আছে। মাকহঁত উভতি আহিলেই তাই যাব। তাই পৰীক দিবৰ বাবে "অসীমত যাৰ হেৰাল সীমা' নামৰ কিতাপ খন আনন্দৰে বান্ধি থৈছে। তিনি বজাতে ওলাই যোৱা মাক-দেউতাক পাঁচ বাজিলহি এতিয়াও

ঘৰ পোৱা নাই, এই চিন্তা কৰিবলৈ ধৰিলে। লাহে লাহে ৬টা বাজিলহি, অথচ এতিয়াও অহা নাই। সন্ধিয়া হ'ল যেতিয়া তেওঁ অকলে মায়েকৰ লগত থাকিবলৈ ভয় লাগিল। গতিকে তেওঁ ওচৰৰে জুমিহঁতৰ ঘৰলৈ গ'ল। মণি আৰু জুমি দুয়োজনী একে শ্ৰেণীতে পঢ়ে। জুমি মাক দেউতাকে কথাটো শুনি চিন্তা কৰিবলৈ ধৰিলে। কিন্তু যেতিয়া ৰাতি দহ বজাতো যেতিয়া মাক-দেউতাক নাপালেহি তেতিয়া জুমিৰ মাকে মণি আৰু মৃন্ময়ক সিহঁতৰ ঘৰতে ভাত খাই শুই থাকিবলৈ ক'লে। মণিয়ে ভাত খাই বিছনাত উঠিল যদিও টোপনি নাহিল। এই চিন্তা কৰিয়েই ধৰিলে কিয় মাক আৰু দেউতাক অহা নাই? একো কৈয়ো নগ'ল ক'লৈ গৈছে? পুৱা কুলকুলনিৰ শব্দত মণিয়ে সাৰ পালে। এই কি হৈছে বুলি চাবলৈ বাহিৰলৈ ওলাই গ'ল। দেখিলে যে সিহঁতৰ ঘৰৰ সন্মুখত বহুত মানুহ আছে। তাতে জুমি আৰু মৃন্ময়ৰ লগতে মাক-দেউতাকো আছে। মণিয়ে আগুৱাই গৈ শিলপৰা কপৌৰ দৰে থৰ লাগি ৰৈ থাকিল। সিহঁতৰ মাক দেউতাকৰ তেজেৰে মিহলি ৰক্তাক্ত মৃতদেহ দুটা মাটিত পৰি আছে। মাক-দেউতাকৰ শ্ৰাদ্ধ হৈ যোৱাৰ পিছত মণি আৰু মৃন্ময়ক খুৰাকে গুৱাহাটীলৈ লৈ গ'ল। খুৰাকে সিহঁতক মৰম কৰিছিল যদিও খুৰীয়েকে সিহঁতক চকুপাৰি দেখিব নোৱাৰিছিল।

একদিন খুৰীয়েকৰ কথামতে খুৰাকে মণি আৰু মৃন্ময়ক এঘৰ মানুহৰ ঘৰত বনকৰা লৰা-ছোৱালী হিচাপে থ'লে। সিহঁত দুয়োটাই প্ৰথমতে থাকি বেয়া পাইছিল যদিও লাহে লাহে ঘৰখনৰ লগত মিলি

গ'ল। সিহঁত যাৰ ঘৰত আছিল সেই মানুহঘৰৰ কোনো সন্তান নাছিল। এদিন মণিয়ে সিহঁতৰ দেউতাকৰ আগত অতীতৰ জীৱনৰ সকলো কথা কলে। মানুহ গৰাকীয়ে সিহঁতৰ দুখৰ কথা শুনি মৃন্ময়ক প্ৰথম শ্ৰেণীত আৰু মণিক নৱম শ্ৰেণীত নাম লগাই দিলে। সিহঁতেও নিজৰ মাক দেউতাকৰ নিচিনাকৈ সকলো কথা শুনি সুখেৰে থাই-বৈ থাকিল। এদিন মণিৰ মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট ওলাল। ৰিজাল্ট ওলোৱাৰ লগে লগে মণিহঁত থকা ঘৰখন মানুহেৰে ভৰি পৰিল। মণি অসমৰ ভিতৰত প্ৰথম হৈছে, তাই আনন্দত অধীৰ হৈ গ'ল। কিন্তু পিছ মুহূৰ্ততে তাইৰ মনটো দুখেৰে ভৰি পৰিল। আজি যদি তাই মাক দেউতাক জীয়াই থাকিলেহেঁতেন কিমান যে স্ফূৰ্তি কৰিলেহেঁতেন।

মাক - দেউতাকৰ আশা পূৰাই তাই এদিন ডাক্তৰ হ'ল। সেই মানুহঘৰৰ চেষ্টাতে তাই পঢ়ি-শুনি ডাক্তৰ হ'ব পাৰিলে। সেইবাবে তেওঁলোকৰ ওচৰত আজীৱন কৃতজ্ঞ হৈ ৰ'ল। মণিয়ে গুৱাহাটী চহৰতে এখন তাইৰ নাৰ্চিংহোম খুলিলে। লাহে লাহে তাইৰ কথা মানুহৰ মুখে মুখে বিয়পি পৰিল। এদিন সেই নাৰ্চিংহোম খনলৈ এগৰাকী ৰোগী আহিল। একান্তাই ধৰি মণিয়ে সেই ৰোগী গৰাকীক শুশ্ৰূষা কৰি সুস্থ কৰি তুলিলে। এদিন ৰোগী গৰাকীক মণিয়ে তেওঁৰ পৰিচয় সুধিলে। তেতিয়া ৰোগী গৰাকীয়ে পৰিচয় দিয়াৰ লগে লগে মণিয়ে জানিলে যে সেই গৰাকী তাইৰে খুৰীয়েক। তাই তেতিয়া নিজৰ পৰিচয় দিলে আৰু মণিয়ে

মুৰাক আৰু খুলীয়েকক নিজৰ লগতে আনি ৰাখিলে। মুৰাক আৰু খুলীয়েকো তাইৰ লগতে থাকিবলৈ ধৰিলে। তাইৰ অনেক দুখময়ৰ পৰা এদিন তাই ৰেহাই পালে। সেইবাবে তাইৰ মনত নব স্ফূৰ্তি। এদিন তাই একান্ত মনে অতীত জীৱনৰ কথা ভাবি আছিল। মণি তোমাক লগ পাবলৈ এজন মানুহ আহিছে যে আহিছে। খুলীয়েকৰ কথা শুনি মণিয়ে অতীত জীৱনৰ কথা ভাবি থকাৰ পৰা বাস্তৱলৈ ঘূৰি আহিল। তাই মানুহজনক লগ পাবৰ বাবে খুলীয়েকৰ পিছে পিছে ড্ৰইং ৰুমৰ ফালে সোমাই গ'ল...।

— স্মৃতি চাংমাই।
ষষ্ঠ ষাণ্মাসিক

* দেশৰ অৰ্থে প্ৰাণ দিবা কিন্তু কাকো প্ৰাণত আঘাত নিদিবা।


— মহাত্মা গান্ধী।

* নিজৰ শ্ৰেষ্ঠতাৰ কথা কৈ আনক কেতিয়াও অপমান নকৰিবা।

— ৰবীন্দ্ৰনাথ ঠাকুৰ।

# জীৱন স্পৃহা

সদায় শান্তি আৰু আনন্দৰে মুখৰিত হৈ থকা গাঁওখনত যেন আজি এমাহমানৰ পৰা বিষাদৰ এখন কলা আৱৰণেৰে আবৰি ৰাখিছে। গাঁৱৰ প্ৰত্যেকৰে ঘৰত আনদিনাত আনন্দৰ উদুলি-মুদুলি পৰিৱেশ। কাৰোবাৰ ঘৰত বিয়া-সবাহ, কাৰোবাৰ জন্মদিন আদিক লৈ গাঁওখনৰ প্ৰায় লোক সদায়ে ব্যস্ত হৈ থাকে। গাঁৱৰ বোৱাৰী সকলে ঘৰুৱা কাম কৰাৰ উপৰিও তাঁত-বোৱা নহ'লে ইজনী সিজনীৰ ঘৰত গৈ ঢেঁকী দিয়া, কথাৰ মেল মৰা আদিত ব্যস্ত হৈ থাকে। গাঁৱৰ ল'ৰা-বুঢ়া, বোৱাৰী-জীয়ৰী সকলো গোটেই দিনটো কিবা নহয় কিবা কামত ব্যস্ত হৈ থাকে। ইয়াৰোপৰি গাঁওখনৰ মানুহৰ মিলা-প্ৰীতি, সহযোগিতা, সহানুভূতি ওচৰ চুবুৰীয়া গাঁওবাসীসকলৰ চৰ্চিত বিষয়।... কিন্তু... আজি কিছুদিনৰ পৰা গাঁওখন একেবাৰে নিমাত নিতাল হৈ পৰিছে। কাৰোবাৰ ঘৰত অচিন ৰোগে দেখা দিছে, কাৰোবাৰ ঘৰুৱা অশান্তি, কাৰোবাৰ ওচৰ-চুবুৰীয়াৰ লগত মতানৈক্য, এক প্ৰকাৰে চাব গ'লে গোটেই গাঁওখনত যেন এক দুৰ্দশাগ্ৰস্ত অৱস্থাৰ উদ্ভৱ হৈছে। গাঁৱৰ সকলোৰে মুখত মাথো এষাৰেই কথা শুনা গৈছে যে — "কোন বিধাতাই আমাৰ সুখ সহিব নোৱাৰি আমাৰ গাঁওলৈ কুলক্ষণী পদুমীক পঠালে।" সকলোৰে মনত এটাই বিশ্বাস যে



যে স্বামীৰ আকস্মিক দুৰ্ঘটনাত মৃত্যু হোৱা পদুমী নামৰ বিধৱা তিৰোতাজনী আহি গাঁৱত বাস কৰাৰ পৰাই গাঁওখনৰ এনে অৱস্থা হৈছে। সকলোৱে কয় " এইজনী আচলতে এজনী ডাইনী" যেয়ে তাই নিজৰ মতাটোৰ মূৰ খালে আৰু এতিয়া আমাৰ গাঁৱৰ মুখত চেঁচা পানী ঢালিবলৈ আহিছে। এইজনী অহাৰ পৰাই সকলো সুখ যে দূৰতে বিদূৰ হৈ গৈছে। এই ডাইনীয়ে আৰু কাক কাক নিঃশেষ কৰিব তাৰ কোনো দমদমতি নাই। গাঁৱৰ বুঢ়া-ডেকা, মতা-মাইকী, লৰা-ছোৱালী সকলোৱে মতে তাই ডাইনী। শিক্ষাৰ পোহৰ নাপাৱা অভিভাৱক সকলৰ লগতে গাঁৱৰ শিক্ষাৰে শিক্ষিত লৰা-ছোৱালীবোৰো এনে বিশ্বাস। কিয়নো তেওঁলোকে সদায় মাক-দেউতাকৰ অন্ধবিশ্বাস নিহিত কথা-বাৰ্তা শুনি শুনি বাৰুকৈয়ে প্ৰভাৱিত হৈছে। সকলোৱে তাইক দেখিলে ঘৃণা কৰে আৰু নানা কদৰ্থনা কৰে। তাইৰ দিশহাৰা জীৱনৰ একমাত্ৰ সাৰথি ছয় বছৰীয়া পুতেকেকো গাঁৱৰ মানুহে হিংস্ৰ জন্তু খেদাৰ দৰে খেদি পঠিয়াই আৰু অৱশেষত গাঁৱৰ মানুহে তাইৰ পৰা পৰিত্ৰাণ পাবৰ বাবে তাইৰ ওচৰতে ৰাজহুৱা মেল পাতি তেওঁলোকৰ সমস্যাৰ সমাধান হিচাপে এদিন দুপৰ ৰাতি সকলো গাঁৱৰ ৰাইজ লগলাগি নৈৰ পাৰৰ উৰলি যোৱা বেৰৰ পদুমীৰ ছোপা পঁজা অৰ্থাৎ ডাইনীৰ ঘৰত জুই লগায়। এনেদৰে গাঁওবাসীয়ে পদুমী আৰু তেওঁৰ পুত্ৰ মনক হত্যা কৰে। তেওঁলোকৰ মতে এইবাৰৰ

পৰা গাঁৱত অপায়-অমংগল নহয়। কিন্তু গাঁৱৰ দশা আগতকৈ বেছি দুৰ্দশাগ্ৰস্ত হয়। লাহে লাহে তেওঁলোকৰ মনৰ পৰা এই অন্ধবিশ্বাস দূৰ হ'ল যে, পদুমী তেওঁলোকৰ গাঁৱৰ সুখৰ অন্তৰায় নাছিল। তাই কোনো ডাইনী নহয়। তেওঁলোকৰ দৰে তেজ মঙহৰেই মানুহ। কিন্তু তেওঁলোকৰ বুজাত বহু পলম হ'ল। কিয়নো তেওঁলোকে নিজৰ জীৱন ৰক্ষাৰ বাবে কোনো বিবেচনা নকৰাকৈ চকুৰ পলকতে ডাইনী সাজি এগৰাকী মাতৃ তথা তেওঁৰ পুত্ৰক নৃশংস ভাৱে হত্যা কৰিলে।

— স্বপ্নালী গগৈ
ষষ্ঠ ষাণ্মাসিক।

* যি শিক্ষাই নিজকে আনৰ হাতত বিক্ৰী হ'বলৈ শিকায় তেনে শিক্ষাৰে শিক্ষিত হোৱাতকৈ অৰ্ধমূৰ্খ হোৱা বহুতো ভাল।

—— হেমবৰুৱা।

## জানিবলগীয়া সৰু সুৰু কথা

ক. অসমৰ জনপ্ৰিয় কাৰ্টুনিষ্ট তথা ভাৰতীয় কাৰ্টুন সাংবাদিকতাৰ প্ৰবাদ পুৰুষ আৰ. কে. লক্ষ্মণৰ মৃত্যু হয় ২০১৫ চনৰ ২৬ জানুৱাৰী তাৰিখে।

খ. আনি প্ৰস্তুতকৈ দৃশ্যমান জগৰ আঙুঠি ধৰণ গ্ৰহটোৰ নাম - ১১৪০৭৮।

গ. হিমাচল প্ৰদেশত জ্বালামুখী মন্দিৰ আছে।

ঘ. College শব্দৰ অৰ্থ - Choosen together. অৰ্থাৎ একেলগে নিৰ্বাচিত।

ঙ. প্ৰথম নিৰ্বাক ছবিখনৰ নাম - 'ৰাজা হৰিশ্চন্দ্ৰ'।

চ. প্ৰথম বিশ্বকাপ ক্ৰিকেট অনুষ্ঠিত হৈছিল ১৯৭৫ চনত।


ছ. ইংলেণ্ড হৈছে ক্ৰিকেটৰ জন্মভূমি।

জ. সাধাৰণতে পুৰুষৰ Shirt ৰ বুটাম সোঁফালে আৰু মহিলাৰ বাওঁফালে থাকে।

সংগ্ৰাহক - টুলুমণি গগৈ
ষষ্ঠ ষাণ্মাসিক।

অনুভৱৰ একাজলি

# সেউজীয়া ভোৰাৰ সপোন



সেউজীয়া সপোনবোৰ পূৰণ কৰাৰ আশাৰে এদিন ভৰি দিছিলো শিৱসাগৰ ছোৱালী কলেজত। অচিনাকী এক পৰিৱেশ ক্ৰমাৎ চিনাকী হৈ পৰিছিল। চিনাকী হৈ পৰিছিল সকলোবোৰ। আপোন হৈ পৰিছিল কোনোবা অচিনাকী মুখবোৰ, গঢ়ি উঠিছিল এক সম্পৰ্ক যাৰ নাম "বন্ধুত্ব"...। চাৰিবছৰৰ মাজত অভিজ্ঞ আৰু কোনোদিনে উপলব্ধি নকৰা বহুত কথা জানিব পাৰিলো, আপোন পাহৰা হোৱা পাতৰ জাকৰ মাজত [illegible] সোমাই পৰিলো, যাৰ বাবে আজি মই বহুত সুখী কাৰণ শিৱসাগৰ ছোৱালী কলেজত পঢ়াৰ বাবে 'ৰংঘৰ ছাত্ৰী নিবাস'ৰ বাসিন্দা হ'ব পাৰিলো। ইয়াতকৈ সুখৰ কথা মোৰ বাবে একো নহয়। কাৰণ, এগৰাকী নাৰীৰ থাকিব লগা সকলো গুণ এই তিনিটা বছৰত বহুতখিনি ল'ব পাৰিলো, যিবোৰ জীৱনৰ সকলো সময়তে প্ৰয়োজন।

কোনোবা এটি ৰহন সনা আবেলিত যেতিয়া মই শিৱসাগৰ ছোৱালী কলেজৰ কাষেৰে পাৰ হৈ যাম, মনত পৰিব য'ত মোৰ তিনিটা যৌৱন পাৰ হৈ গৈছে, য'ত মোৰ সপোনবোৰে লুকা-ভাকু খেলিছিল। হয়তো কাৰোবাক চিঞৰি ক'বলৈ মন যাব "মইও আছিলো

এদিন এই কেজেনী য়ালে...... য'ত মোৰ সপোনবোৰ জড়িত হৈ আছিল।"

" অতীত হৈ যেতিয়া যাবা তুমি
হঠাৎ ধৰা দিবাহি মোৰ চকুত,
মন যাব আলেৰিৰ পৃষ্ঠা লুটিয়াব
য'ত তুমি আছা..... তোমাৰ লগত
পাৰ কৰা সময়বোৰ,
সাঁচি থৈছো মই তিনিটা যৌৱন
সংগোপনে.... সযতনে।"

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

শ্ৰীমতী পৰীস্মিতা গগৈ।
স্নাতক ষষ্ঠ ষাণ্মাসিক।

# শৰৎ, শেৱালি আৰু নিয়ঁৰ : এটি অনুভৱ

'শৰৎ'– যাৰ নামেৰেই পৰিচয় কৰাই কোমল কুঁৱলীক, টোপ-টোপ নিয়ঁৰক। যিয়ে পাহুলি সুখৰ শেৱালীজুপিক উদ্বুদ্ধ কৰে প্ৰস্ফুটিত হ'বলৈ। প্ৰতিফলিত পাতক শিকায় সাৰ পাবলৈ। নদীমাতৃৰ সুকোমল সলিল বালিত শৰতেই আনে দাপোণসম স্বচ্ছতা। এই শৰতেই লৈ আহে আৱেলিৰ ঘৰকাল আকাশ। মেঘমালাৰ আকাশৰ পৰা আঁতৰাই স্বচ্ছ কৰি দিয়ে বগলীজাকৰ নীড়মুখী বাট।

" যেনি যায় বলাকাই
মেঘ আকাশত নেদেখা সাঁকো টানি....."

(নৱকান্ত বৰুৱা)

শৰৎ আহে আহিনৰ কোলাত। আহিনেই আনে চাৰিওফালে সেউজীয়া আভা। পংকিল পথত সজায় দুবৰিৰ দলিচা। এনেকৈয়ে শৰৎ আহে আহিনৰ কোলাত উঠি, শাওনে বাট এৰা পদুলিয়ে-পদুলিয়ে। কিন্তু, আহিনক কোনে আনে.....?

" আহিনক কোনে আনে
নিয়ঁৰে জনালে শেৱালীয়ে
আৰু শেৱালীয়ে ক'লে নিয়ঁৰে আনে
দুবৰিয়ে ক'লে কোমল হাঁহিৰে
দুনোজনে..... দুনোজনে.....।"

(নৱকান্ত বৰুৱা)

শেৱালীজুপি আজি অপেক্ষাৰত প্ৰিয়তম শৰতৰ সান্নিধ্য বিচাৰি। শেৱালীজুপিৰ ফুলকুমাৰীয়া প্ৰেয়সী হৃদয় আশাৰ দুপাহীত বন্দী হৈ ৰৈ আছে প্ৰেমিক শৰতক কাষত পোৱাৰ হেঁপাহেৰে। দুবৰি দলিও ৰৈ আছে বুকুত লৈ শেৱালীৰ দলিচা সজাবলৈ। হে শৰৎ, তুমি আহি পালেই শেৱালীজনী আনন্দত আত্মহাৰা হৈ পৰে আৰু তাইৰ নয়নেৰে নিশাৰি-নিশাৰি সৰে টুপুৰ-টুপুৰ নিয়ৰৰ ফুল।

"নিয়ঁৰৰে ফুল
এপাহ ফুলিলা
এপাহ সৰিল কেনি?" (নৱকান্ত বৰুৱা)

শেৱালীৰ প্ৰেমত মতলীয়া নিয়ৰ আৰু কুঁৱলী। সন্ধিয়াতে আহি সি তাইৰ ডালত বহিল আৰু ৰহিল। শেৱালীজনীও কিন্তু কম নহয়; তাইও শৰৎ অহাৰ বতৰি পালেই এক্ষাৰৰ সুযোগ লৈ নিজৰ ৰূপচৰ্চাত ব্যস্ত হৈ পৰে।

শৰতৰ শুৱনি আবেলিৰ সুকলি আকাশ, তাতে আকৌ জাক-জাক পক্ষীৰ উৰণি গগনত পশ্চিমৰ সৰুৰে অঁকা বাটলি আভাই জেউতী চৰায়। পৰৱৰ্তী পথাৰত শৰতৰ একান্ত সংগী নিয়ৰৰ সান্নিধ্য বিচাৰি সেউজে বুলীয়া ধানগছৰ আগবোৰে উদ্বাউল হৈ পৰে। ইফালে তৰাবোৰেও তাইৰ সাজেৰে দেহাটি একেলেক চাবলৈ ডাৱৰৰ আঁৰে-আঁৰে দৃষ্টি নিক্ষেপ কৰে তাইৰ ৰঙাল শৰীৰত।

"জোনেও বালিচৰত ধুলি খেলিছিল
তাইৰ কাপোৰবোৰ।
সোণটিয়ে ৰাতি তৰাবোৰৰ সৈতে
নাচিছিল, নৈ হৈ.....
ফৰিং ফুটা জোনাক ৰাতি তাই মাতিছিল
তাই আহিছিল,
এখন পাখা বত ......।" (নীলিম কুমাৰ)

—— এয়াই মাহাত্ম্য শৰতৰ। কিয়নো ইয়েই সেউজী ধৰণীক প্ৰেমত ব্যাকুল কৰি সোণগুটিৰ বীজ গৰ্ভত ধাৰণ কৰোৱাই। কাৰণ, কিছুদিনৰ পাছতেই তাইৰ চাদৰখনত সোণোৱালী বুটা বাছিব। হাজাৰ অন্ধকাৰ আহকেই বা নাহকেই এই ধৰণীলৈ, হে শৰৎ তুমি নিতৌ আহি এই ধৰাক কৰা সেউজ সুন্দৰ।

শ্ৰী মন্তা জুলি গগৈ।
স্নাতক ষষ্ঠ ষাণ্মাসিক।

জনপ্ৰিয় অসমীয়া সংকলন - যোজনা

১. অনভ্যাসে হতবিদ্যা, অভ্যাসে কৃতবিদ্যা ।

২. ঈশ্বৰে যাক চকু মেলি চাই
তাক নালাগে কাৰো সহায় ।

৩. খাবৰ সময়ত সাত ভাই
কৰিবৰ সময়ত এজনো নাই ।

৪. আজ মূৰত নাই চুলি
পিৰিয়েকে মাতে কেশমতী বুলি ।

৫. অলপ আৰ্জন, বিস্তৰ ভোজন
সেই পুৰুষৰ দৰিদ্ৰ লক্ষণ ।

৬. 'ক' বুলিব নাজানে বত্নাবলী পঢ়ে
পছলা খাবৰ জুতি নাজানে
ভোজ বান্ধিবলৈ আহে ।

৭. এন্দুৰে কি বুজে সেন্দুৰৰ মূল
বান্দৰে কি বুজে নাৰিকলৰ মূল ।

৮. উপকাৰীক অজগৰে খায়
তাৰ সাক্ষী দিওঁতা নাই ।

৯. আলহীয়ে বিচাৰে শোকত লোন
ধান কিনাই বিচাৰে জোঙৰ দোন ।

